NIPUN AXOM G2L-2

অসমীয়া

# কাৰ্যপত্ৰ- ২

## (দ্বিতীয় শ্ৰেণীৰ বাবে)

## বুনিয়াদী সাক্ষৰতা






















প্ৰস্তুতকৰণ

ৰাজ্যিক শিক্ষা গৱেষণা প্ৰশিক্ষণ পৰিষদ, অসম

সমগ্ৰ শিক্ষা অসমৰ সহযোগত

**KARJYAPATRA - 2:** A workbook for class - II in Assamese, developed and reviewed by SCERT, Assam through workshops.

**ALL RIGHTS RESERVED:** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles, reviews or research papers) may be made without written authorization from the SCERT, Assam.

**গ্ৰন্থস্বত্বঃ** ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ **২০২৩**

**প্ৰকাশক ঃ**

**মুদ্ৰণ ঃ**

# কাৰ্যপত্ৰ - ২

ছাত্ৰ-ছাত্ৰীৰ নাম ..........................................

শ্ৰেণী ..........................................

ৰোল নং ..........................................

বিদ্যালয়ৰ নাম ..........................................

..........................................

শিক্ষা বৰ্ষ ..........................................

Minister Page

# আগকথা

ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০-২১ বুনিয়াদী স্তৰত সাক্ষৰতা আৰু সাংখ্যিকতাবোধৰ বিকাশৰ বাবে এক ৰাষ্ট্ৰীয় অভিযানৰ পোষকতা কৰিছিল। ইয়াৰ ফলস্বৰূপে ২০২১ চনৰ ৫ জুলাই তাৰিখে ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ দ্বাৰা 'নিপুণ ভাৰত' অভিযান ঘোষণা কৰা হয়। এই অভিযানৰ আধাৰত ২০২১ চনৰ ১৬ নৱেম্বৰ তাৰিখে অসম চৰকাৰে 'নিপুণ অসম' নামেৰে উক্ত অভিযান আমাৰ ৰাজ্যত আৰম্ভ কৰে। এই অভিযানৰ লক্ষ্য হৈছে, প্ৰাক্-প্ৰাথমিক স্তৰৰ পৰা তৃতীয় শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্ধাৰিত শিকন ফলাফলসমূহ আয়ত্ত কৰিব পৰাকৈ সক্ষম কৰি তোলা।

সেয়েহে এই অভিযানে বুনিয়াদী স্তৰত শিক্ষাৰ্থীসকলৰ মৌখিক ভাষাৰ বিকাশৰ লগতে ধ্বনি আৰু বৰ্ণৰ সমন্বয়ৰ সঠিক জ্ঞানৰ ধাৰণা, পঠন আৰু লিখনৰ দক্ষতা আহৰণত অধিক গুৰুত্ব প্ৰদান কৰিছে।

'নিপুণ অসম'ৰ লক্ষ্যত উপনীত হ'বলৈ সমগ্ৰ শিক্ষা, অসম আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ তত্ত্বাৱধানত প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ আকাংক্ষিত শিকন ফলাফল আয়ত্ব কৰাত সুনিশ্চিত কৰিবৰ বাবে পদ্ধতিগতভাৱে ২৬ সপ্তাহৰ এখন কাৰ্যপত্ৰ প্ৰস্তুত কৰা হৈছে। এই কাৰ্যপত্ৰখনৰ জৰিয়তে শিশুসকলৰ শিকনত বিশেষকৈ ধ্বনি, বৰ্ণ, শব্দ, বাক্য যুক্তাক্ষৰ আদিৰ জ্ঞান আহৰণৰ লগতে পঠন আৰু পাঠোদ্ধাৰৰ কৌশল আয়ত্ব কৰাত সুবিধা হ'ব বুলি আশা কৰা হৈছে। শিশুসকলৰ বিভিন্ন ক্ৰিয়া-কলাপসমূহ যেনে - ধ্বনি আৰু বৰ্ণৰ সমন্বয়, সাধু কথন, কথোপকথন, ভংগীমা গীত, পদ্য, সাঁথৰ, গীত, খেল, যুক্তাক্ষৰৰ জ্ঞান ইত্যাদি শিকন ফলাফলক ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে। এই ক্ৰিয়া-কলাপসমূহ শিশুসকলে শিক্ষকৰ সহায়ত আৰু নিজাববীয়াকৈ কৰিবলৈ চেষ্টা কৰিব। শিক্ষকসকলে কাৰ্যপত্ৰত দিয়া ক্ৰিয়া-কলাপৰ আৰ্হিত সাক্ষৰতা কৌশল বিকাশৰ বাবে নিজাববীয়াকৈ ক্ৰিয়া-কলাপ প্ৰস্তুত কৰি ল'ব পাৰিব।

এই কাৰ্যপত্ৰখনি প্ৰস্তুত কৰি উলিয়াবৰ বাবে অবদান আগবঢ়োৱা ৰাজ্যিক সমল গোটৰ সদস্য সকলক মই অশেষ ধন্যবাদ জনাইছোঁ আৰু আমাক অনবৰতে সহযোগ আগবঢ়ায় থকা সংস্থা- Language and Learning Foundation (LLF), UNICEF, CSF সকলোকে অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

নিৰদা দেৱী

সঞ্চালক

ড° নিৰদা দেৱী

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী- ৭৮১০১৯

# শিক্ষকসকলৰ বাবে নিৰ্দেশনা

এই কাৰ্যপত্ৰখন শিক্ষণ সপ্তাহ হিচাপে ২৬ সপ্তাহৰ বাবে প্ৰস্তুত কৰা হৈছে। এই কাৰ্যপত্ৰ লৈ কাৰ্য আৰম্ভ কৰাৰ পূৰ্বে শিক্ষকৰ হাতপুথিখন পঢ়াটো অত্যন্ত প্ৰয়োজন। এই কাৰ্যপত্ৰখন লৈ শ্ৰেণীত কাৰ্য কৰিবলৈ তলত কিছু গুৰুত্বপূৰ্ণ নিৰ্দেশনা দিয়া হৈছে, যিয়ে এজন শিক্ষক হিচাপে আপোনাক সহায় কৰিব।

- কাৰ্যপত্ৰখনত সপ্তাহ অনুযায়ী শিক্ষণীয় বিষয়বস্তুবোৰ ৰখা হৈছে। প্ৰত্যেক শিক্ষণ সপ্তাহতে ৬ দিনকৈ এইখন আদান-প্ৰদান হ'ব, অৰ্থাৎ শিশুৱে ক্ৰিয়া-কলাপ কৰিব।
- সপ্তাহৰ পঞ্চম দিনটো পুনৰাবৃত্তি আৰু সাপ্তাহিক মূল্যায়নৰ বাবে আৰু ষষ্ঠ দিনটো নিদানমূলক কাৰ্যকলাপ, অতিৰিক্ত কাৰ্যৰ বাবে ৰখা হৈছে।
- প্ৰত্যেকটো দিনৰ বাবে কথন, পঠন আৰু লিখিবলৈ বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপ দিয়া হৈছে। এই ক্ৰিয়া-কলাপসমূহৰ প্ৰকৃতি বেলেগ বেলেগ ধৰণৰ, গতিকে ক্ৰিয়া-কলাপসমূহ কৰোৱাৰ আগতে উদাহৰণৰ সৈতে বুজাই দিয়াটো খুবেই প্ৰয়োজন। যেতিয়া এইটো নিশ্চিত হ'ব যে শিশুসকলে নিৰ্দেশনাসমূহ ভালকৈ বুজি পাইছে, তেতিয়া তেওঁলোকক ক্ৰিয়া-কলাপসমূহ কৰিবলৈ দিব লাগিব।
- প্ৰত্যেকটো ক্ৰিয়া-কলাপৰ বাবে দিয়া নিৰ্দেশনাসমূহ ভালকৈ পঢ়ি ল'ব যাতে ক্ৰিয়া-কলাপসমূহ নিয়াৰীকৈ সম্পাদন হয়।
- সপ্তাহৰ পঞ্চম দিনা কাৰ্যপত্ৰখনত দিয়া মূল্যায়ন কাৰ্য কৰাব।
- মূল্যায়নৰ পাছত এটা পৰিকল্পনা প্ৰস্তুত কৰি নিদানমূলক আৰু অতিৰিক্ত কাৰ্যকলাপ কৰাব।
- শিশুসকলে কৰা কাৰ্যকলাপসমূহত ইতিবাচকভাৱে নিজৰ মতামত আৰু পৰামৰ্শ দিব। শিশুসকলক নিয়মিত ভাবে সহায় আৰু উৎসাহ যোগাব।

এইটো লক্ষ্য ৰাখিব যাতে আপোনাৰ নিৰ্দেশনা অবিহনে শিশুসকলৰ ঘৰুৱা শিক্ষক বা অভিভাৱকে কাৰ্যবোৰ আগতিয়াকৈ কৰি নিদিয়ে। এইটো অতিশয় গুৰুত্বপূৰ্ণ কথা কিয়নো এনে হ'লে কাৰ্যপত্ৰখনৰ মূল লক্ষ্য সাধন নহ'ব।

এই কাৰ্যপত্ৰখনত বিভিন্ন প্ৰতীক চিহ্ন ব্যৱহাৰ কৰা হৈছে যাৰ সহায়ত আপুনি কৰিব লগীয়া কাৰ্যকলাপসমূহৰ বিষয়ে সহজে জানিব পাৰিব। কাৰ্যপত্ৰৰ কাৰ্যৰ প্ৰকাৰ - অতিৰিক্ত কাৰ্য, কওঁ আহা, পঢ়োঁ আহা, লিখোঁ আহা, মিলাওঁ আহা, ঘেৰ চিন দিওঁ আহা, ৰং বোলাওঁ আহা আদি অনুসৰি কাৰ্যপত্ৰখনত বিভিন্ন কাৰ্যৰ বাবে দিয়া প্ৰতীকসমূহ —

| | | | | | |
|---|---|---|---|---|---|
|  |  |  |  |  |  |
| কওঁ আহা | পঢ়োঁ আহা | লিখোঁ আহা | ৰং বোলাওঁ আহা | মিলাওঁ আহা,<br>ঘেৰ চিন দিওঁ আহা | অতিৰিক্ত কাৰ্য |

## শিক্ষকৰ বাবে দিয়া প্ৰতীকসমূহ —

| শিক্ষকৰ বাবে নিৰ্দেশনা | চহী | সপ্তাহ/দিন |
|---|---|---|
|  |  ............................................ | সপ্তাহ ঃ .....<br>দিন - .....<br>DD/MM/YYYY |

| ভাল | বহুত ভাল | উত্তম |
|---|---|---|
|  |  |  |

# কাৰ্যপত্ৰৰ কাৰ্যকৰণ
# (উদাহৰণ ঃ সপ্তাহ ১২, দিন-১)

বৰ্ণ/আখৰ/যুক্তাক্ষৰ চিনাক্তকৰণৰ কাৰ্যকলাপৰ বাবে, শিক্ষকৰ হাতপুথিৰ ডিকোডিংৰ খণ্ডত দিয়া হোৱা বৰ্ণ/আখৰ/যুক্তাক্ষৰৰ স্তৰসমূহ চাব আৰু পৰিকল্পনা অনুযায়ী কৰিব।


সপ্তাহ-১২
দিন- ১
DD/MM/YYYY

অনুশীলনী

নিৰ্দেশনা ঃ-
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

্ৰ-কাৰ

কাৰ্য নং-১
পঢ়োঁ আহা —

শব্দাৱলী
প্ৰাতঃসভা, প্ৰধান, প্ৰাৰ্থনা
হাতযোৰ, শিক্ষক

শিক্ষাৰ্থীসকলে বিদ্যালয়ত প্ৰাতঃসভা কৰিছে। সকলোৱে হাতযোৰ কৰি প্ৰাৰ্থনা গীত গাইছে। প্ৰধান শিক্ষকেও প্ৰাতঃ সভাত ভাগ লৈছে।

কাৰ্য নং-২
কথা পাতোঁ আহা —

ক) বিদ্যালয়ত শিক্ষাৰ্থীসকলে কি কৰি আছে?
খ) সকলোৱে হাতযোৰ কৰি কি কৰিছে?
গ) আমাৰ বিদ্যালয় প্ৰাতঃ সভাত আমি কি কি কৰোঁ?

কাৰ্য নং-৩
চাই চাই দুবাৰকৈ লিখোঁ আহা —

আমি নম্ৰ হ'ব লাগে।

........................................................................................................

........................................................................................................

..................

৭৪

## কাৰ্য

**(শিক্ষকে কাৰ্যপত্ৰৰ পৃষ্ঠাৰ শীৰ্ষত দিয়া নিৰ্দেশনাখিনি মন কৰি ক্ৰিয়া-কলাপ আগবঢ়াব।)**

- শিক্ষকে ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ আৰু দফাটোৰ শিৰোনাম সম্পৰ্কে অনুমান কৰিবলৈ দিব।
  **(সময় ঃ ৫ মিনিট)**
- শিক্ষকে দফাটো দুই-তিনিবাৰ পঢ়ি শুনাব আৰু শিক্ষাৰ্থীসকলক পঢ়াত সহায় কৰিব।
  **(সময় ঃ ১২ মিনিট)**
- শিক্ষকে দফাটোৰ লগত জড়িত মৌখিক প্ৰশ্ন সুধিব। **(সময় ঃ ৫ মিনিট)**
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব। **(সময় ঃ ৫ মিনিট)**
- শিক্ষকে দফাৰ লগত জড়িত প্ৰশ্নসমূহ শিক্ষাৰ্থীৰ লগত আলোচনা কৰিব।
  **(সময় ঃ ৫ মিনিট)**
- শেষত তেওঁলোকে অনুমান কৰা দফাটোৰ শিৰোনামটো কাৰ্যপত্ৰত লিখিবলৈ দিব।
  **লিখন (৩ মিনিট)**

# মূল্যায়ন আৰু নিদানমূলক কাৰ্য

কাৰ্যপত্ৰৰ **সপ্তাহ ৯ৰ পৰা ২৬** লৈকে প্ৰত্যেক সপ্তাহতে মূল্যায়নৰ বাবে কাৰ্য দিয়া হৈছে।

## মূল্যায়ন কেনেকৈ কৰাব ?

- মূল্যায়ন আৰম্ভ কৰাৰ পূৰ্বে কাৰ্যপত্ৰখনত শিশুসকলে কি কি কৰিব লাগিব সেইটো ভালকৈ বুজাই দিব লাগিব।
- শিশুসকলক কাৰ্যকলাপসমূহ নিজেই কৰিবলৈ দিব, আপুনি সহায় নকৰিব। কিন্তু এইটো সুনিশ্চিত কৰা খুবেই প্ৰয়োজন যে শিশুসকলে কৰিবলগীয়া কামখিনি ভালকৈ বুজি পাইছে।
- মূল্যায়নৰ বাবে বিভিন্ন ক্ৰিয়া-কলাপ দিয়া হৈছে। মূল্যায়ন কৰাৰ পাছত কাৰ্যকলাপটোৰ কাষত দিয়া

বাকচত নম্বৰ লিখিব। 

- শিশুসকলে বৰ্ণ/আখৰ/যুক্তাক্ষৰ বা শব্দ চিনি নাপালে বা ভুলকৈ পঢ়িলে বৰ্ণ/আখৰ/যুক্তাক্ষৰৰ তলত চিন দিব।

## মূল্যায়নৰ পাছত কি কৰিব ?

**দল ১ঃ ৫০% বা তাতোকৈ কম নম্বৰ প্ৰাপ্ত**

**বৰ্ণ স্তৰৰ কাৰ্য**

- বৰ্ণ/আখৰ/যুক্তাক্ষৰৰ আকৌ চিনাক্তকৰণ কৰোৱা
- বৰ্ণ/আখৰ/যুক্তাক্ষৰ শব্দত বিচাৰি গোল চিন দিয়া
- আখৰ জালৰ পৰা বৰ্ণ/আখৰ/যুক্তাক্ষৰ চিনাক্তকৰণ কৰোৱা
- বহীত বৰ্ণ/আখৰ /যুক্তাক্ষৰ লিখা আৰু গৃহকাৰ্য দিয়া

**শব্দ স্তৰৰ কাৰ্য**

- আখৰ জালৰ পৰা পঢ়ি শব্দ পঢ়াৰ অভ্যাস
- বৰ্ণ/আখৰ /যুক্তাক্ষৰ লগলগাই শব্দ পঢ়াৰ অভ্যাস (শিক্ষকে কৰি দেখুৱাৰ পাছত শিশুৱে কৰিব)
- বৰ্ণ/আখৰ/যুক্তাক্ষৰ লগলগাই শব্দ লিখা আৰু পঢ়া গৃহকাৰ্য দিয়া

**দল ২ঃ ৫০% তকৈ অধিক নম্বৰ প্ৰাপ্ত**

শিক্ষকে এই দলটোক এনেধৰণৰ কাৰ্য দিব যাতে শিশুৱে নিজেই কাৰ্যকলাপসমূহ কৰিব পাৰে। যেনে ঃ

- পাঠোদ্ধাৰৰ খেল
- কাহিনী আৰু কিতাপ পঢ়া
- শব্দ/বৰ্ণ/আখৰ/যুক্তাক্ষৰ লিখা
- স্বতন্ত্ৰ কাৰ্য কৰা

**শ্ৰুতলিপিৰ কাৰ্য**

- শুনি লিখাৰ কাৰ্য গোটেই শ্ৰেণীৰ সৈতে কৰাব।
- শিশুৱে পৰস্পৰে পৰস্পৰৰ শ্ৰুতলিপি নিৰীক্ষণ কৰাৰ পাছত শিক্ষকে বোৰ্ডত শুদ্ধ শব্দবোৰ লিখি দি আলোচনা কৰিব।
- পাচত শিশুসকলক নিজৰ নিজৰ বহীত শুদ্ধকৈ লিখিবলৈ দিব।

সপ্তাহ-১

দিন- ১

DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে 'ম' আৰু 'ব' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**ম, ব**

### কাৰ্য নং-১

একে আখৰবোৰ আঁচ টানি মিলাওঁ আহা—

| ব | ক | ম | ল | খ |
|---|---|---|---|---|

| ক | ম | ব | খ | ল |
|---|---|---|---|---|

### কাৰ্য নং-২

ছবিৰ নামৰ প্ৰথম আখৰটো কওঁ আৰু লিখোঁ আহা —






ব .......... ............... ............... ...............

### কাৰ্য নং-৩

পঢ়োঁ আহা—

কল মম নল বহ মৰম বতৰ

### কাৰ্য নং-৪

লিখোঁ আহা—

| ম | গ |
|---|---|
| | ল |
| ব | |
| | হ |

মগ বগ .................

................ ................. .................

সপ্তাহ-১
দিন- ২
DD/MM/YYYY

পুনৰালোচনা

নির্দেশনা ঃ-

● শিক্ষকে 'ক' আৰু 'ল' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।

**ক, ল**

### কার্য নং-৫

একে শব্দবোৰ আঁচ টানি মিলাওঁ আহা—

| | | | | |
|---|---|---|---|---|
| কৰ | ল'ৰা | চকু | মাত | কল |
| চকু | কল | কৰ | ল'ৰা | মাত |

### কার্য নং-৬

ছবিৰ নামৰ প্রথম আখৰটো কওঁ আৰু লিখোঁ আহা—

   

................ ................ ................ ................

### কার্য নং-৭

আখৰ-জালৰ পৰা শব্দ সাজোঁ আহা—

| | | |
|---|---|---|
| ব | ৰ | ল |
| হ | ব | গ |
| ল | ৰ | ত |

বৰল

............. ............. .............

### কার্য নং-৮

পঢ়ো আহা—

মহ বল লগত কমল কলম মলম

সপ্তাহ-১
দিন- ৩
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-
● শিক্ষকে 'খ' আৰু 'অ' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**খ, অ**

## কাৰ্য নং-৯

একে আখৰবোৰ আঁচ টানি মিলাওঁ আহা—

| | | | | | |
|---|---|---|---|---|---|
| ম | ব | ক | ল | খ | অ |
| ব | ক | ম | খ | অ | ল |

## কাৰ্য নং-১০

ছবিৰ নামৰ প্ৰথম আখৰটো কওঁ আৰু লিখোঁ আহা—


............ৰম


............মলা


............লম


............মিতা


............গলী


............ৰি

## কাৰ্য নং-১১

শেষ ধ্বনিৰ মিল থকা শব্দবোৰ আঁচ টানি মিলাওঁ আহা—

| | | |
|---|---|---|
| কল | বতৰ | খৰম |
| মটৰ | মৰম | বল |

## কাৰ্য নং-১২

পঢ়ো আহা—

বল অমৰা কিতাপ বৰল খবৰ মৰম

.....................

সপ্তাহ-১
দিন- ৪
DD/MM/YYYY

পুনৰালোচনা

নির্দেশনা ঃ-
- শিক্ষকে 'া' কাৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে পূর্বে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

া

## কার্য নং-১৩

তলত কৰি দিয়া ধৰণেৰে আখৰবোৰৰ লগত 'া' কাৰ যোগ কৰি পঢ়োঁ আৰু লিখোঁ আহা—

| ম | ৰ | ক | ল | হ | খ | ন |
|---|---|---|---|---|---|---|
| মা | | | | | | |

## কার্য নং-১৪

শেষৰ আখৰটোত 'া' কাৰ যোগ কৰি শব্দ সাজোঁ আহা—

ৰজ → ৰজা

কক →

অমৰ →

কল →

কমল →

## কার্য নং-১৫

ছবিৰ নাম কওঁ আৰু লিখোঁ আহা —


না ...........


ত ...........


জ ...........

## কার্য নং-১৬

শ্ৰুতলিপি—

........................... ........................... ...........................

........................... ...........................

..................

সপ্তাহ-১
দিন- ৫
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

● শিক্ষকে 'ৰ' আৰু 'আ' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**ৰ, আ**

### কাৰ্য নং-১৭

'ৰ' আৰু 'আ' আখৰ দুটা তলৰ কোনকেইটা শব্দত আছে আঁচ টানি মিলাওঁ আহা—

ৰ আ

ৰগৰ আম ৰজা আইতা ৰস কলহ

### কাৰ্য নং-১৮

খালী ঠাই পূৰ কৰি ছবিৰ নাম লিখোঁ আহা—



আ........ৰস



........তাপ



.........পি



.........ণ

### কাৰ্য নং-১৯

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

ব ৰ →
ক ল →
ৰ থ →
আ ম →
ক থ না →
আ খ ৰ →
বা খ ৰ →

### কাৰ্য নং-২০

পঢ়োঁ আহা—

বল কল মল মকৰা খৰম খবৰ

সপ্তাহ-১
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-

● শিক্ষকে কাৰ্যবোৰ কৰাব আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

## কাৰ্য নং-২১

**একে আখৰবোৰ আঁচ টানি মিলাওঁ আহা—**

| | | | | |
|---|---|---|---|---|
| ম | ৰ | ক | ল | খ |
| ক | ল | খ | ম | ৰ |

## কাৰ্য নং-২২

**লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—**

ম গ → ______

কা ম → ______

খা ব → ______

ক ৰা → ______

ব জা ৰ → ______

মা মা → ______

## কাৰ্য নং-২৩

**অতিৰিক্ত কাৰ্য**

সপ্তাহ-২
দিন- ১
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে 'ন' আৰু 'জ' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**ন, জ**

### কাৰ্য নং-১

ছবিৰ নামৰ প্ৰথম আখৰটো কওঁ আৰু লিখোঁ আহা —


................


................


................


................

### কাৰ্য নং-২

আখৰকেইটা লিখোঁ আৰু পঢ়োঁ আহা —

ন ............ ............ ............ ............ ............ ............

জ ............ ............ ............ ............ ............ ............

### কাৰ্য নং-৩

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা —

জ গ → ☐

জ ল → ☐

ন ল → ☐

ন ৰ ম → ☐

### কাৰ্য নং-৪

আখৰ-জালৰ পৰা শব্দ সাজোঁ আহা —

জলজ ........... ...........

........... ........... ...........

| | | |
|---|---|---|
| জ | ল | জ |
| ন | ৰ | গ |
| ম | ন | ত |

..................

সপ্তাহ-২

দিন- ২

DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে ‘ ি ’ - কাৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

ি - কাৰ

**কাৰ্য নং-৫**

‘ ি ’-কাৰ লগাই আখৰবোৰ লিখো আৰু পঢ়োঁ আহা—

| | |
|---|---|
| ক | কি |
| জ | জি |
| ল | লি |
| ম | মি |
| ট | টি |

| | |
|---|---|
| ছ | |
| খ | |
| ৰ | |
| ফ | |
| গ | |

| | |
|---|---|
| ত | |
| ন | |
| ণ | |
| প | |
| চ | |

**কাৰ্য নং-৬**

‘ ি ’ কাৰ থকা শব্দবোৰ চিনাক্ত কৰি কওঁ আৰু ঘেৰ দিওঁ আহা —

জিকা    বালি    খৰি    বল    ছবি    মটৰ    নল    ৰাতি

**কাৰ্য নং-৭**

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

জি + লা → জিলা      কি + না → ______

জি + কা → ______      নি + ম + খ → ______

**কাৰ্য নং-৮**

ছবি চাই নামটো কওঁ আৰু লিখোঁ আহা—



.........কা



.........লা



.........ৰিকী

....................

সপ্তাহ-২

দিন- ৩

DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

● শিক্ষকে ‘ণ’ আৰু ‘ত’ আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।

**ণ, ত**

## কাৰ্য নং-৯

‘ণ’ আৰু ‘ত’ আখৰত ঘেৰ দিওঁ আহা—



তলা



হৰিণ



পাণ



তৰা



হাত



কাণ

## কাৰ্য নং-১০

লিখোঁ আহা—

ণ ............ ............ ............ ............ ............ ............

ত ............ ............ ............ ............ ............ ............

## কাৰ্য নং-১১

আখৰ-জালৰ পৰা শব্দ সাজি কওঁ আৰু লিখোঁ আহা—

| | | |
|---|---|---|
| জ | হা | ত |
| জি | কা | লা |
| লা | ণ | জ |

তলা ...................... ......................

...................... ......................

...................... ......................

## কাৰ্য নং-১২

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

ৰ ণ → ৰণ

কা ণ → ..........

ত ৰা লি → ..........

ব ৰ ণ → ..........

বা ত ৰি → ..........

ত লা → ..........

..................

সপ্তাহ-২
দিন- ৪
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-
- শিক্ষকে 'উ' আৰু 'এ' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

উ, এ

কাৰ্য নং-১৩
'উ' আৰু 'এ' আখৰৰ সৈতে 'উ' আৰু 'এ' থকা শব্দ বোৰ আছে আঁচ টানি মিলাওঁ আৰু কওঁ আহা—

উ এ

উট এৰাপাত উৰাল উৰাজাহাজ এঙাৰ এৰি

কাৰ্য নং-১৪
লিখোঁ আহা —

উ ............ ............ ............ ............ ............ ............

এ ............ ............ ............ ............ ............ ............

কাৰ্য নং-১৫
লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

এ খ ন → এখন

উ মা ন →

এ ই →

উ ৰ ণ →

কাৰ্য নং-১৬
পঢ়োঁ আহা—

এইখন উমাৰ কিতাপ।

কাৰ্য নং-১৭
শ্ৰুতলিপি—

............................ ............................ ............................

............................ ............................

..................

সপ্তাহ-২
দিন- ৫
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-
● শিক্ষকে ‘ ই’ আৰু ‘ঋ’ আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**ই, ঋ**

### কাৰ্য নং-১৮

পঢ়োঁ আহা—

ই



ইটা

ঋ



ঋষি

### কাৰ্য নং-১৯

‘ঋ’ আখৰটোত ঘেৰ দি কেইটা আছে কওঁ আৰু লিখোঁ আহা—

| | | | |
|---|---|---|---|
| ঋ | ণ | ম | ঋ |
| ই | ঋ | ত | উ |
| ঋ | ক | ল | ঋ |

......................

### কাৰ্য নং-২০

লিখোঁ আহা —

ই ............ ............ ............ ............ ............ ............

ঋ ............ ............ ............ ............ ............ ............

### কাৰ্য নং-২১

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

ঋ ষ ভ → ঋষভ

ঋ ণ →

ই মা ন →

ম ই →

### কাৰ্য নং-২২

পঢ়োঁ আহা—

**দিনত বৰ গৰম।**

..................

**সপ্তাহ-২**

**দিন- ৬**

DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-

● শিক্ষকে তলৰ কাৰ্যবোৰ কৰাব আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-২৩

**আখৰকেইটা পঢ়োঁ আৰু লিখোঁ আহা—**

| | | | | | |
|---|---|---|---|---|---|
| বি | লা | ন | জ | ণ | ত |
| ........... | ........... | ........... | ........... | ........... | ........... |
| মা | খা | উ | এ | ই | ঋ |
| ........... | ........... | ........... | ........... | ........... | ........... |

### কাৰ্য নং-২৪

**পঢ়োঁ আহা—**

| | | | | |
|---|---|---|---|---|
| জল | নল | জিকা | কিতাপ | হাত |
| হৰিণ | মই | ঋণ | উমাল | ইটা |

### কাৰ্য নং-২৫

**অতিৰিক্ত কাৰ্য**

...................

সপ্তাহ-৩
দিন- ১
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-
● শিক্ষকে 'ে' কাৰৰ আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।

## ে- কাৰ

**কাৰ্য নং-১**

তলত দিয়া ধৰণেৰে বৰ্ণবোৰৰ লগত 'ে' কাৰ যোগ কৰি লিখোঁ আৰু পঢ়োঁ আহা—

| ন | ব | খ | ত | ম | ল | ক | গ |
|---|---|---|---|---|---|---|---|
| নে | | | | | | | |

**কাৰ্য নং-২**

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

নে + জ → ______    বে + ৰ → ______

তে + ল → ______    খে + ল → ______

**কাৰ্য নং-৩**

আখৰ-জালৰ পৰা শব্দ সাজি কওঁ আৰু লিখোঁ আহা—

| | | |
|---|---|---|
| নে | জ | মে |
| মে | খে | লা |
| তে | ল | জ |

নেজ ........... ...........

........... ........... ...........

**কাৰ্য নং-৪**

পঢ়োঁ আহা—

তেল কিনি আনিবা।

বেল খাবা।

..................

পুনৰালোচনা

নিৰ্দেশনা ঃ-

● শিক্ষকে 'ও' আৰু 'ঈ' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**ও, ঈ**

### কাৰ্য নং-৫

**একে আখৰবোৰ আঁচ টানি মিলাওঁ আহা—**

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ম | অ | ও | আ | ঈ | ৰ | ল | জ | ক |
| ও | অ | ম | ৰ | আ | ঈ | ক | ল | জ |

### কাৰ্য নং-৬

**'ও' আৰু 'ঈ' বৰ্ণ দুটা থকা ছবিৰ নাম কওঁ আহা আৰু আঁচ টানি মিলাওঁ আহা—**



ও





ঈ



### কাৰ্য নং-৭

**লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—**

ঈ গ ল → ☐

তি ল → ☐

ৰে খা → ☐

ও ক ণি → ☐

### কাৰ্য নং-৮

**পঢ়োঁ আহা—**

ওলকবি আনিবা।

ঈগল উৰে।

..................

নিৰ্দেশনা ঃ-

- শিক্ষকে 'উ' আৰু 'ঐ' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে আগতে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

**উ, ঐ**

### কাৰ্য নং-৯

**ছবিৰ নামৰ প্ৰথম আখৰটো কওঁ আৰু আঁচ টানি মিলাওঁ আহা—**

উ

ঐ





### কাৰ্য নং-১০

তলৰ আখৰ দুটা লিখোঁ আহা—

উ ............ ............ ............ ............ ............ ............

ঐ ............ ............ ............ ............ ............ ............

### কাৰ্য নং-১১

পঢ়োঁ আহা—

উণ ৰজা ঐনিতম্ জনম ঐকিক ঈগল

### কাৰ্য নং-১২

শ্ৰুতলিপি—

............................ ............................ ............................

............................ ............................

সপ্তাহ-৩

দিন- ৪

DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

● শিক্ষকে ' ু '- কাৰ আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

● শিক্ষকে আগতে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

' ু '- কাৰ

### কাৰ্য নং-১৩

তলত কৰি দিয়া ধৰণেৰে আখৰবোৰৰ লগত ' ু '- কাৰ যোগ কৰি কওঁ আৰু লিখোঁ আহা —

| আখৰ | | ফলাফল |
| --- | --- | --- |
| জ | → ু → | জু |
| ক | | |
| ত | | |
| ব | | |
| খ | | |

### কাৰ্য নং-১৪

তলৰ ছবিবোৰৰ নাম লিখোঁ আহা—



চ...........



...........কুৰ



............লি



...........ই

### কাৰ্য নং-১৫

পঢ়োঁ আহা—

কুলি ক'লা।

কুকুৰাই কক্ কক্ কৰে।

### কাৰ্য নং-১৬

শ্ৰুতলিপি—

........................... ........................... ...........................

........................... ...........................

..................

সপ্তাহ-৩
দিন- ৫
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-
● শিক্ষকে ‘ঔ’ আৰু ‘শ’ আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**ঔ, শ**

### কাৰ্য নং-১৭
‘ঔ’ আৰু ‘শ’ আখৰৰ সৈতে সোঁফালৰ ‘ঔ’ আৰু ‘শ’ থকা শব্দবোৰ আঁচ টানি মিলাওঁ আৰু কওঁ আহা —

| | |
|---|---|
| | শহা |
| ঔ | শৰৎ |
| শ | ঔটেঙা |
| | ঔষধ |

### কাৰ্য নং-১৮
খালী ঠাই পূৰ কৰি ছবিৰ নাম লিখোঁ আহা—


........... ক


...........ষধ


...........টেঙা


.............হা

### কাৰ্য নং-১৯
লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

ঔ কি ল → ______  শা মু ক → ______
শী ত → ______  শা ক → ______

### কাৰ্য নং-২০
পঢ়োঁ আহা—

**বেমাৰ হ'লে ঔষধ খাবা।**

সপ্তাহ-৩

দিন- ৬

DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-

- শিক্ষকে তলৰ কাৰ্যবোৰ কৰাব আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

কাৰ্য নং-২১

ওপৰত থকা আখৰবোৰ তলৰ কোনবোৰ শব্দত আছে আচ টানি মিলাওঁ আহা—

| | | | | |
|---|---|---|---|---|
| খা | জি | শা | কু | বে |
| কুকুৰা | শামুক | জিকা | বেল | খাৰু |

কাৰ্য নং-২২

পঢ়ো আহা—

| | | | | |
|---|---|---|---|---|
| কুকুৰ | খেজুৰ | বজাৰ | জালুক | তেল |
| বেল | কেৰেলা | লেতেৰা | তিমি | ৰাতি |

কাৰ্য নং-২৩

অতিৰিক্ত কাৰ্য

....................

সপ্তাহ-৪
দিন- ১
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে ‘ে া’- কাৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

ে া

### কাৰ্য নং-১

ে া-কাৰ লগাই লিখোঁ আৰু পঢ়োঁ আহা —

| | |
|---|---|
| ক | কো |
| ল | লো |
| ৰ | ৰো |

| | |
|---|---|
| ত | |
| জ | |
| ম | |

| | |
|---|---|
| ব | |
| গ | |
| প | |

| | |
|---|---|
| ন | |
| ণ | |
| ট | |

### কাৰ্য নং-২

খালী ঠাই পূৰ কৰি ছবিৰ নাম কওঁ আৰু লিখোঁ আহা —



.........লাপ



...........তৰা



...........মোৰা



................ৰ

### কাৰ্য নং-৪

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

জো ক → ______

জো ন → ______

জো না ক → ______

তো মা ৰ → ______

### কাৰ্য নং-৪

‘ে া’ কাৰ লগাই শব্দ গঠন কৰোঁ আহা—

| | | | |
|---|---|---|---|
| .....জ......তা | জোতা | .....ব.....কা | |
| .....ভ...... ল | | ......ম.....না | |

### কাৰ্য নং-৫

পঢ়োঁ আহা—

কোৰ এখন আনিবা।

........................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে 'য়' আৰু 'এঃ' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে আগতে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

**য়, এঃ**

### কাৰ্য নং-৬

**ছবিৰ নামৰ সৈতে থকা 'য়' আৰু 'এঃ' আখৰ মিলাই কওঁ আৰু আঁচ টানি মিলাওঁ আহা —**

য়

এঃ


তিঁয়হ


জিএঃা


শিয়াল

### কাৰ্য নং-৭

**লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা —**

গ + এঃা → গএঃা

কে + এঃা →

বি + ষ + য় →

ন + য় + ন →

শ + য় + ন →

### কাৰ্য নং-৮

**পঢ়োঁ আহা—**

শিয়াল | ঋষি | দয়ালু | নিয়ৰ | জিএঃা | ওৰণি

### কাৰ্য নং-৯

**শ্ৰুতলিপি—**

............................ ............................ ............................

............................ ............................

..................

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে 'ষ' আৰু 'য' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে আগতে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

**ষ, য**

### কাৰ্য নং-১০

**'ষ' আৰু 'য' আখৰ থকা শব্দবোৰ কওঁ আৰু ঘেৰ চিন দিওঁ আহা —**

| | | |
|---|---|---|
| বিষ | ষাঁড় | যুৱলি |
| ঈগল | বেলি | যঁতৰ |

### কাৰ্য নং-১১

**লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা।**

ঋ + ষি → ঋষি

ভী + ষ + ণ → ______

খা + য় → ______

য + ম + জ → ______

### কাৰ্য নং-১২

**পঢ়োঁ আহা—**

ষাঁড়ৰ বৰ বল।

এয়া মামাৰ যঁতৰ।

### কাৰ্য নং-১৩

**শ্ৰুতলিপি—**

.......................... .......................... ..........................

.......................... ..........................

..................

পুনৰালোচনা

নিৰ্দেশনা ঃ-
- শিক্ষকে 'ী'- কাৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

ী-কাৰ

### কাৰ্য নং-১৪

তলৰ আখৰবোৰত 'ী' কাৰ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

| | |
|---|---|
| ৰ | ৰী |
| ল | |
| স | |

| | |
|---|---|
| ন | |
| জ | |
| হ | |

| | |
|---|---|
| ত | |
| ট | |
| গ | |

### কাৰ্য নং-১৫

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

সী মা → সীমা

প খী →

পা টী →

হা তী →

স খি →

### কাৰ্য নং-১৬

আখৰ-জালৰ পৰা শব্দ গঠন কৰি কওঁ আৰু লিখোঁ আহা—

| | | |
|---|---|---|
| মে | কু | ৰী |
| কা | উ | ৰী |
| এ | ক | তা |

................ ................

................ ................

### কাৰ্য নং-১৭

পঢ়োঁ আহা—

পৰী | তেঁতেলী | পানী | বগলী | বাৰী | এৰী

..................

নিৰ্দেশনা ঃ-

- শিক্ষকে 'ট' আৰু 'চ' আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে আগতে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

**ট, চ**

## কাৰ্য নং-১৮

ছবি চাই নাম লিখোঁ আহা—


....................


....................


....................


....................

## কাৰ্য নং-১৯

'ট' আৰু 'চ' থকা শব্দকেইটা কওঁ আৰু সেইবোৰত ঘেৰ দিওঁ আহা—

চীন এটা ৰচী ঘটি চোৰা

টেমা কিতাপ টকা তিঁয়হ ৰবৰ

## কাৰ্য নং-২০

আখৰ-জালখনৰ পৰা শব্দ লিখোঁ আহা—

| | | |
|---|---|---|
| চ | ক | ৰী |
| কু | ৰি | ত |
| কু | কু | ৰা |

.............................. ..............................

.............................. ..............................

## কাৰ্য নং-২১

শ্ৰুতলিপি —

.............................. .............................. ..............................

.............................. ..............................

....................

সপ্তাহ-৪
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-

- শিক্ষকে কাৰ্যবোৰ কৰাব আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

## কাৰ্য নং-২২

পঢ়োঁ আহা —

| ঊষা | বুটাম | বুট | বুলবুলি | কেতেকী |
|---|---|---|---|---|

## কাৰ্য নং-২৩

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| চি | এও | ৰ | → | | য | ম | জ | → | |
| কো | মো | ৰা | → | | কা | উ | ৰী | → | |
| আ | কা | শ | → | | চি | ল | নী | → | |

## কাৰ্য নং-২৪

অতিৰিক্ত কাৰ্য

সপ্তাহ-৫

দিন- ১

DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

● শিক্ষকে 'ৈ'- কাৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

## ৈ- কাৰ

### কাৰ্য নং-১

তলত দিয়া ধৰণেৰে বৰ্ণবোৰৰ লগত 'ৈ' -কাৰ যোগ কৰি কওঁ আৰু লিখোঁ আহা—

| | ৈ |
|---|---|
| ক | কৈ |
| খ | |
| গ | |

| | ৈ |
|---|---|
| ল | |
| ম | |
| ৰ | |

| | ৈ |
|---|---|
| ব | |
| ন | |
| শ | |

### কাৰ্য নং-২

তলত দিয়া শব্দবোৰৰ শেষৰ আখৰটোত 'ৈ' কাৰ লগাই শব্দ সাজোঁ আহা—

আখ → আখৈ

খাল →

মাক →

আম →

### কাৰ্য নং-৩

আখৰ-জালৰ পৰা শব্দ সাজোঁ আহা —

| | | |
|---|---|---|
| আ | জা | কৈ |
| মৈ | দা | ম |
| মা | কৈ | ন |

.................... ....................

.................... ....................

.................... ....................

### কাৰ্য নং-৪

পঢ়োঁ আহা—

আমৈয়ে জাকৈ বাইছে।

খালৈত মাছ ভৰাইছে।

....................

পুনৰালোচনা

ফ, প

নিৰ্দেশনা ঃ-
- শিক্ষকে ‘ফ’ আৰু ‘প’ আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে আগতে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

## কাৰ্য নং-৫

‘ফ’ আৰু ‘প’ আখৰ থকা শব্দকেইটাৰ তলত আঁচ টানো আহা—

| | | | | | |
|---|---|---|---|---|---|
| পুতলা | লফা | মকৰা | জলফাই | পূজা | মাটি |
| জপনা | খালৈ | শীতল | অমিতা | পুঠিমাছ | পুৰোহিত |

## কাৰ্য নং-৬

ছবিবোৰ চাই ‘প’ আৰু ‘ফ’ বৰ্ণ থকা বস্তুৰ নামবোৰ লিখোঁ আহা—



প বৰ্ণ থকা বস্তুৰ নাম

..........................................................

..........................................................

ফ বৰ্ণ থকা বস্তুৰ নাম

..........................................................

..........................................................

## কাৰ্য নং-৭

পঢ়োঁ আহা—

পখিলা উৰে।

ফুলে ফুলে পৰি মৌ চুহে।

## কাৰ্য নং-৮

শ্ৰুতলিপি—

............................ ............................ ............................

............................ ............................

..................

নিৰ্দেশনা ঃ-

● শিক্ষকে ‘স’ আৰু ‘গ’ আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**স, গ**

### কাৰ্য নং-৯

**‘গ’ ধ্বনি থকা শব্দবোৰ কওঁ আৰু আঁচ টানি মিলাওঁ আহা—**

গ

বগলী

গৰু

কমলা

জগত

বগ

পানী

গজল

ইটা

### কাৰ্য নং-১০

**লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—**

গা + ড়ী → ______

সা + গ + ৰ → ______

গা + খী + ৰ → ______

অ + স + ম → ______

### কাৰ্য নং-১১

**পঢ়োঁ আহা—**

সীতাই গীত গায়।
গীতিকা সীতাৰ সখি।

নিৰ্দেশনা ঃ-

- শিক্ষকে 'ৌ'-কাৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**ৌ-কাৰ**

## কাৰ্য নং-১২

তলত দিয়া ধৰণেৰে আখৰবোৰৰ লগত 'ৌ' কাৰ যোগ কৰি লিখোঁ আৰু পঢ়োঁ আহা—

| ম | প | ৰ | ল | ক | গ | ট | ত |
|---|---|---|---|---|---|---|---|
| মৌ | | | | | | | |

## কাৰ্য নং-১৩

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

মৌ + জা → ..........
আ + কৌ → ..........
নি + তৌ → ..........
স + দৌ → ..........
মৌ + পি + য়া → ..........
ৰৌ + মা + ছ → ..........

## কাৰ্য নং-১৪

ছবিৰ নাম লিখোঁ আহা—


........................


........................


........................


........................

## কাৰ্য নং-১৫

পঢ়োঁ আহা—

মৌপিয়াই মৌ-ৰস খায়।
পুখুৰীত ৰৌ আৰু বৰালি মাছ আছে।

নিৰ্দেশনা ঃ-

- শিক্ষকে ‘ হ ’ আৰু ‘ছ’ আখৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে আগতে শিকি অহা ৪-৫ টা শব্দৰ শ্রুতলিপি দিব।

**হ, ছ**

### কাৰ্য নং-১৬

**আখৰ-জালৰ পৰা শব্দ গঠন কৰোঁ আহা—**

| | | | |
|---|---|---|---|
| শ | হা | ট | গ |
| লি | তী | ত | ছ |
| তা | লি | মা | হ |
| ল | বা | ছ | বি |

............................ ............................
............................ ............................
............................ ............................
............................ ............................

### কাৰ্য নং-১৭

**ছবি চাই নাম কওঁ আৰু খালী ঠাই পূৰ কৰোঁ আহা—**


.................তী


............ৰিণা


.................তি


...............তুৰী

### কাৰ্য নং-১৮

**পঢ়োঁ আহা—**

হিৰণ আহ, গছৰ ছাঁত বহ।
সৌটো এটা হৰিণ।

### কাৰ্য নং-১৯

**শ্রুতলিপি —**

............................ ............................ ............................

............................ ............................

...................

সপ্তাহ-৫

দিন- ৬

DD/MM/YYYY

নিদানমূলক

নির্দেশনা ঃ-

● শিক্ষকে তলৰ কাৰ্যবোৰ কৰাব আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

## কাৰ্য নং-২০

**শেষ ধ্বনিৰ মিল থকা শব্দবোৰ কওঁ আৰু আঁচ টানি মিলাওঁ আহা—**

| | | | | | | |
|---|---|---|---|---|---|---|
| জাকৈ | ৰমলা | বৌ | বাতি | ফল | তৰু | বোলে |
| জল | ৰৌ | ছাতি | কমলা | মাকৈ | খোলে | গৰু |

## কাৰ্য নং-২১

**পঢ়োঁ আহা—**

বৰকৈ হৈ-চৈ নকৰিবা।

সাগৰৰ ঢৌ বৰ ওখ।

## কাৰ্য নং-২২

**অতিৰিক্ত কাৰ্য**

নিৰ্দেশনা ঃ-

- শিক্ষকে ূ -কাৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

৯

## কাৰ্য নং-১

‘ ূ ’ কাৰ লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা —

| ম | ৰ | দ | প | চ | ক | শ | ফ | গ | ণ |
| --- | --- | --- | --- | --- | --- | --- | --- | --- | --- |
| মূ | | | | | | | | | |

## কাৰ্য নং-২

আঁচ টনা বৰ্ণটোত ‘ ূ ’ কাৰ লগাই ছবিৰ নাম কওঁ আৰু লিখোঁ আহা—



মলা



সতা



ধপ

## কাৰ্য নং-৩

বাওঁফালৰ আৰু সোঁফালৰ বাকচৰ পৰা এটাকৈ আখৰ লৈ শব্দ সাজোঁ আহা —

| | | | |
| --- | --- | --- | --- |
| চূ | প | → | |
| ধূ | জা | → | |
| পূ | ত | → | |
| দূ | ণ | → | চূণ |

## কাৰ্য নং-৪

তলৰ শব্দকেইটা পঢ়োঁ আহা আৰু ‘ ূ ’ কাৰ থকা শব্দকেইটাত ঘেৰ দিওঁ আহা—

মূলা, জল, সখি, চূণ, পূব, চকু, পূজা, সময়, ভূমি, সূলভ

## কাৰ্য নং-৫

ভালপোৱা চাৰিটা খেলৰ নাম লিখোঁ আহা —

.................... .................... .................... ....................

....................

সপ্তাহ-৬
দিন- ২
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-
- শিক্ষকে 'ঘ', 'ঠ', ' ঁ ', আখৰবোৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

ঘ ঠ ঁ

### কাৰ্য নং-৬

**'ঘ', 'ঠ' আৰু ' ঁ ' থকা শব্দবোৰ কওঁ আৰু সেইবোৰৰ লগত বৰ্ণবোৰৰ আঁচ টানি মিলাওঁ আহা—**

| | | |
|---|---|---|
| ঠগা | | দাঁত |
| কেঁচু | ঘ | ঘৰ |
| ঘট | ঠ | গাঁও |
| ঠেলা | ঁ | ঠাকুৰ |
| বাঁহ | | ঘটক |

### কাৰ্য নং-৭

**শব্দ সাজোঁ আহা —**

ঘোঁ + ৰা → ____
হাঁ + হ → ____
ঠোঁ + ট → ____
বাঁ + হ → ____
পিঁ + য়া + জ → ____
কঁ + ঠা + ল → ____

### কাৰ্য নং-৮

**আখৰ-জালৰ পৰা শব্দ সাঁজো আহা —**

| | | | |
|---|---|---|---|
| পি | ঠা | ৰি | ক |
| ভ | কঁ | ঠা | ল |
| ঘোঁ | ক | ঠে | লা |
| ৰা | ঘ | ট | ঠী |

.......................... ..........................
.......................... ..........................
.......................... ..........................
.......................... ..........................

### কাৰ্য নং-৯

পঢ়োঁ আহা—

ঘোঁৰাই দৌৰিছে।
ধনেশ চৰাইৰ ঠোঁট দীঘল।

....................

সপ্তাহ-৬
দিন- ৩
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে 'থ', 'ঢ়','ঢ' আখৰবোৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

থ ঢ় ঢ

কাৰ্য নং-১০

বাওঁফালৰ আখৰ থকা সোঁফালৰ শব্দবোৰ কওঁ আৰু আঁচ টানি মিলাওঁ আহা—

| | |
|---|---|
| থ | থোক |
| ঢ় | ঢোল |
| ঢ | মুঢ়া |
| | থাল |

কাৰ্য নং-১১

পঢ়োঁ আহা—

থাক পঢ়াশালি কথা থোপা ঢাল

মুঢ়া ঢৌ থলুৱা ঢোল

কাৰ্য নং-১২

লগ লগাই শব্দ গঠন কৰি লিখোঁ আৰু পঢ়োঁ আহা—

ঢা ৰি → ..........  থূ ল মূ ল → ..........

থা প না → ..........  বা ঢ় নি → ..........

কাৰ্য নং-১৩

ছবি চাই তাৰ বিষয়ে কেইটামান শব্দ লিখোঁ আহা—



.................... ....................

.................... ....................

.................... ....................

..................

সপ্তাহ-৬
দিন- ৪
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-
● শিক্ষকে ৃ -কাৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

ৃ -কাৰ

**কাৰ্য নং-১৪**

'ৃ' কাৰ থকা শব্দত ঘেৰ দিওঁ আহা —

কৃপণ পিতৃ মাছ ঢোল মুঢ়া
হৃদয় যকৃত ভাতৃ কঁঠাল

**কাৰ্য নং-১৫**

শব্দ গঠন কৰোঁ আহা—

অ মৃ ত → ..........
হৃ দ য় → ..........
সৃ জ নী → ..........
কৃ ষ ক → ..........
স ৰী সৃ প → ..........

**কাৰ্য নং-১৬**

বাওঁফাল আৰু সোঁফালৰ আখৰ লগ লগাই শব্দ সাজি লিখোঁ আহা—

| | |
|---|---|
| মৃ | ণ |
| তৃ | ষি |
| কৃ | গ |

মৃগ ..............  ..............
..............  ..............
..............  ..............

**কাৰ্য নং-১৭**

পঢ়োঁ আহা—

তৃণ মৃগ মাতৃ ভাতৃ গৃহ কৃপা ঘৃত শৃংগ

সপ্তাহ-৬

দিন- ৫

DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

● শিক্ষকে 'ভ', 'ঝ', 'ড', আখৰবোৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

ভ ঝ ড

### কাৰ্য নং-১৮

পঢ়োঁ আহা—

- ভ → ভূমি, ভাৰত, ভাত, ভোল
- ঝ → ঝাড়ু, ঝাওবন, ঝুম, ঝংকাৰ
- ড → ডুলি, ডাল, ডাৱৰ, ডেউকা

### কাৰ্য নং-১৯

আখৰবোৰ লগ লগাই শব্দ গঠন কৰি লিখোঁ আৰু পঢ়োঁ আহা—

ভা + ত → ভাত

ঝু + মু + ৰ → ..........

ড + লা → ..........

ডা + লি + ম → ..........

### কাৰ্য নং-২০

তলৰ আখৰ-জালখনৰ পৰা শব্দ গঠন কৰি কওঁ আৰু লিখোঁ আহা —

| | | |
|---|---|---|
| ঝ | ৰ্ণা | ৰ |
| ভূ | ই | ভা |
| মি | ভো | ল |

.......................... ..........................

.......................... ..........................

.......................... ..........................

### কাৰ্য নং-২১

তলৰ বাক্যটো পঢ়োঁ আহা—

ঝুম খেতি পাহাৰত কৰে।

..................

নিদানমূলক

নির্দেশনা ঃ-

- শিক্ষকে কাৰ্যবোৰ কৰাব আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-২২**

**তলৰ শব্দকেইটা পঢ়োঁ আৰু ' ৃ ' কাৰ থকা শব্দকেইটাত ঘেৰ দিওঁ আহা —**

ভূমি　মাটি　কঁঠাল　তৃণ　থাল　ঢাকনি　ঝাড়ু

পঢ়া　মৃগ　গৃহ　ঘোঁৰা　কৃষক　মুঢ়া　ডাবৰ

**কাৰ্য নং-২৩**

**কঠাঁল শব্দটোত থকা আখৰকেইটাৰে নতুন শব্দ লিখোঁ আহা —**

কঁ　কঁকাল

ঠা　................

ল　................

**কাৰ্য নং-২৪**

**অতিৰিক্ত কাৰ্য**

সপ্তাহ-৭

দিন- ১

DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে 'দ', 'ৱ', 'ধ', আখৰবোৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**দ, ৱ, ধ**

### কাৰ্য নং-১

**তলৰ শব্দবোৰত 'দ',' ৱ' আৰু 'ধ' বৰ্ণ থকা শব্দবোৰ কওঁ আৰু সেইবোৰত ঘেৰ দিওঁ আহা—**

| | | | | | | |
|---|---|---|---|---|---|---|
| দ → | দেউতা | বল | কদম | কল | পদুম | |
| ৱ → | খোৱা | ধুনীয়া | পৰিৱেশ | লৱণ | দল | ৰথ |
| ধ → | ধন | অধৰ | ধান | দমকল | ধনীয়া | পুৱা |

### কাৰ্য নং-২

**লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—**

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | দা | ন | → ______ | | | ধা | ন | → ______ |
| ধা | ন | নি | → ______ | | মা | ন | ৱ | → ______ |
| ডা | ৱ | ৰ | → ______ | | দ | ৰ | ৱ | → ______ |

### কাৰ্য নং-৩

**খালী ঠাইত উপযুক্ত আখৰ লিখি শব্দ সাজোঁ আহা—**

| | | |
|---|---|---|
| দা | গ | দাগ |
| | ____ | ______ |
| ধা | ____ | ______ |
| | ____ | ______ |

### কাৰ্য নং-৪

**পঢ়োঁ আহা—**

দাৱনীয়ে ধান দাইছে।
দেউতাই দেৱালীত মিঠাই আনিছে।

নিৰ্দেশনা ঃ-

- শিক্ষকে 'ড়', 'ক্ষ', 'ৎ', আখৰবোৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**ড়, ক্ষ, ৎ**

## কাৰ্য নং-৫

'ক্ষ' ৰ লগত পখিলাটোৰ পাখি দুখনত থকা আখৰবোৰ লগ লগাই শব্দ সাজি কওঁ আৰু লিখোঁ আহা—




| 'ক্ষ'ৰে শেষ হোৱা | 'ক্ষ'ৰে আৰম্ভ হোৱা |
|---|---|
| দক্ষ | ক্ষয় |
| ................ | ................ |
| ................ | ................ |

## কাৰ্য নং-৬

প্ৰত্যেকটো আখৰেৰে এটাকৈ নতুন শব্দ সাজি লিখোঁ আহা—

| গছ | | দালি | | চকু | |
|---|---|---|---|---|---|
| গ | ছ | দা | লি | চ | কু |
| গছ | ছবি | | | | |

## কাৰ্য নং-৭

পঢ়োঁ আহা—

খুৰাই ক্ষুৰেৰে দাড়ি কাটিছে।
আমি কছৰৎ কৰিব লাগে।

## কাৰ্য নং-৮

তলৰ আখৰবোৰ লিখোঁ আহা —

ড় ................ ................ ক্ষ ................ ................

ৎ ................ ................

................

সপ্তাহ-৭

দিন- ৩

DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে 'ং' আৰু 'ঃ' আখৰবোৰৰ পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

ং, ঃ

**কাৰ্য নং-৯**

শব্দ লিখোঁ আহা—

ৰ, ঠে, খ — ং — ৰং, ........, ........

বা, উ, পুন — ঃ — বাঃ, ........, ........

ডা, ম, না — ঙ — ৰ → ........

হ → ........

ল → নাঙল

**কাৰ্য নং-১০**

ছবি চাই নাম কওঁ আৰু লিখোঁ আহা—


...............


...............


...............


...............

**কাৰ্য নং-১১**

পঢ়োঁ আহা —

ৰং ৰং নানা ৰং কিনিবলৈ যাওঁ,
ৰংপুৰ অভিমুখে আমি আগুৱাওঁ।

**কাৰ্য নং-১২**

শেষ ধ্বনিৰ মিল থকা দুটাকৈ শব্দ লিখোঁ আহা —

ৰং .................. .................. ৰঙা .................. ..................

...................

সপ্তাহ-৭

দিন- ৪

DD/MM/YYYY

পুনৰালোচনা

**নির্দেশনা ঃ-**

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে পূর্বে শিকি অহা ৪-৫ টা শব্দৰ শ্রুতলিপি দিব।

## কার্য নং-১৩

**স্বৰ-চিহ্ন বহুৱাই লিখোঁ আৰু পঢ়োঁ আহা—**

| | া | ি | ী | ু | ূ | ৃ | ে | ৈ | ো | ৌ |
|---|---|---|---|---|---|---|---|---|---|---|
| ম | মা | মি | মী | মু | মূ | মৃ | মে | মৈ | মো | মৌ |
| জ | | | | | | | | | | |
| ফ | | | | | | | | | | |
| ল | | | | | | | | | | |
| ত | | | | | | | | | | |
| ক | | | | | | | | | | |

## কার্য নং-১৪

**লগ লগাই শব্দ সাজি কওঁ আৰু লিখোঁ আহা।**

| | |
|---|---|
| মা + টি → ............ | গ + ৰ + খী + য়া → ............ |
| ন + দী → ............ | জ + লৌ + জ + পৌ → ............ |
| ৰ + হ + দৈ → ............ | স + পো + ন → ............ |

## কার্য নং-১৫

**পঢ়োঁ আহা -**

সিহঁতে অলং-দলং খেলিছে।

উহঃ, আজি বৰ গৰম।

## কার্য নং-১৬

**শ্রুতলিপি—**

............................ ............................ ............................

............................ ............................

............................

সপ্তাহ-৭
দিন- ৫
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-১৭**

'অ', 'ম', 'ব' আৰু 'ন'ৰে আৰম্ভ হোৱা শব্দ লিখোঁ আহা—

| অ | ম | ব | ন |
|---|---|---|---|
| অতনু ...................... | ...................... | ...................... | ...................... |
| ...................... | ...................... | ...................... | ...................... |
| ...................... | ...................... | ...................... | ...................... |
| ...................... | ...................... | ...................... | ...................... |
| ...................... | ...................... | ...................... | ...................... |

**কাৰ্য নং-১৮**

পঢ়োঁ আহা—

| | | | | |
|---|---|---|---|---|
| অলং-দলং | ঢলং-পলং | ৰং ঘৰ | কাৰেং ঘৰ | দক্ষতা |
| কপৌ ফুল | হৃদয় | নাঙল | বাঃ বাঃ | ক্ষুৰ |

**কাৰ্য নং-১৯**

প্ৰত্যেকটো আখৰেৰে এটাকৈ নতুন শব্দ গঠন কৰি কওঁ আৰু লিখোঁ আহা —

ঘৰত: ঘ → ঘন; ৰ → ৰভা; ত → ......

জখলা: জ → ......; খ → ......; লা → ......

খবৰ: খ → ......; ব → ......; ৰ → ......

**কাৰ্য নং-২০**

প্ৰিয় খাদ্য দুবিধৰ নাম লিখোঁ আহা —

........................... ...........................

....................

নিদানমূলক

নিৰ্দেশনা ঃ-

- শিক্ষকে কাৰ্যবোৰ কৰাব আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

## কাৰ্য নং-২১

পঢ়োঁ আহা —

| | | | |
|---|---|---|---|
| দক্ষ | দলং | দুৱাৰ | ধাননি |
| ধান | ক্ষুৰ | বাঃবাঃ | পুনঃ |
| গাড়ী | হঠাৎ | ষাঁড় | |

## কাৰ্য নং-২২

বাকচত দিয়া আখৰ বাছি লৈ তিনিটা শব্দ গঠন কৰি লিখোঁ আহা —

দু, সি, হ, ধ, ৰ, ং, ন, ৱা

.................... .................... ....................

## কাৰ্য নং-২৩

অতিৰিক্ত কাৰ্য —

সপ্তাহ-৮
দিন- ১
DD/MM/YYYY

**পুনৰালোচনা**

**নিৰ্দেশনা ঃ-**

● শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

## কাৰ্য নং-১

'া', 'ী', 'ূ' আৰু 'ৃ' কাৰ থকা শব্দত ঘেৰ দিওঁ আহা—

| | | | | | |
|---|---|---|---|---|---|
| পূৱ | ডালিম | বগলী | তগৰ | বগা | গীত |
| যকৃত | কাম | পাণ | ঘৃত | বীৰ | ৰূপ |

## কাৰ্য নং-২

ছবিখনত থকা ফলকেইটা চিনাক্ত কৰি নামবোৰ কওঁ আৰু লিখোঁ আহা—



................

................ ..................

................ ..................

## কাৰ্য নং-৩

পঢ়োঁ আহা—

গধূলি হ'ল। মই এতিয়া পঢ়িম।

## কাৰ্য নং-৪

শেষৰ আখৰেৰে শব্দ লিখোঁ আহা—

ক) হাত → তৰা → ৰাতি → ..............................

খ) জাহাজ → .................... → .................... → ....................

....................

সপ্তাহ-৮
দিন- ২
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

### কাৰ্য নং-৫

আখৰ-জালৰ পৰা শব্দ লিখোঁ আহা —

| | | | | |
|---|---|---|---|---|
| মৈ | আ | না | ৰ | স |
| দা | ই | হা | তী | পো |
| চে | নি | ৰ | ণ | ন |

.................. ..................
.................. ..................
.................. ..................

### কাৰ্য নং-৬

পঢ়োঁ আহা—

| | | |
|---|---|---|
| ঝুমুৰ নাচ | ঘৰচিৰিকা | অলং-দলং |
| ঘটি-বাটি | থূলমূল | ঢলং-পলং |
| বাঃবাঃ | পুনঃ | হঠাৎ |

### কাৰ্য নং-৭

'কিতাপ' শব্দটোৰ আখৰবোৰে নতুন শব্দ কওঁ আৰু লিখোঁ আহা—

| | |
|---|---|
| কি | কিনা |
| তা | .................. |
| প | .................. |

### কাৰ্য নং-৮

শ্ৰুতলিপি—

.............................. .............................. ..............................

.............................. ..............................

..................

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-৯

**সঠিক বৰ্ণত 'ে া' কাৰ লগাই শব্দ সাজি কওঁ আৰু লিখোঁ আহা—**

| | | | | | |
|---|---|---|---|---|---|
| ঢল → | ঢোল | ঘঁৰা → | | আঘণ → | |
| খৰা → | | ভল → | | কোমৰা → | |

### কাৰ্য নং-১০

**শব্দ সাজি কওঁ আৰু লিখোঁ আহা —**

| | |
|---|---|
| গ | ম |
| জ | ব |

টৰ — মটৰ

তৰ — ......................

গৰ — ......................

ৰম — ......................

টল — ......................

### কাৰ্য নং-১১

**পঢ়োঁ আহা—**

মই আজি বজাৰলৈ যাম।
মই এযোৰ নতুন জোতা কিনিম।

### কাৰ্য নং-১২

**এবিধ ফুলৰ ছবি আঁকো আৰু খালী ঠাইত নামটো লিখি বাক্যটো সম্পূৰ্ণ কৰোঁ আহা—**

মই ................................ ফুল ভাল পাওঁ।

..................

নির্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।

## কার্য নং-১৩

'ূ' কাৰ থকা শব্দকেইটাত ঘেৰ দিওঁ আহা—

কুলি আম সূতা বকুল ৰগৰ

দূবৰী পূজা ধূলি কোমল মুঢ়া

## কার্য নং-১৪

ছবি চাই নামবোৰ কওঁ আৰু লিখোঁ আহা—







.......................... .......................... ..........................

## কার্য নং-১৫

লগ লগাই শব্দ গঠন কৰি লিখোঁ আৰু পঢ়োঁ আহা—

গ ঠ ন → গঠন

যঁ ত ৰ → 

পা হা ৰ → 

বা ঢ় নি → 

## কার্য নং-১৬

বাক্য দুটা পঢ়োঁ আহা—

মৃদুলে গধূলি পঢ়িবলৈ লয়।
সি পিতৃ-মাতৃৰ কথা শুনে।

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-১

ঘেৰৰ ভিতৰৰ আখৰকেইটা তলৰ কোন শব্দত আছে কওঁ আৰু আঁচটানি মিলাওঁ আহা—

ব ঝু ড় ঘ লা ঠে শি ক

ঝুমুৰ কটাৰী শিয়াল ঠেং ঘটক বৰফ লাটুম গড়

### কাৰ্য নং-২

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

যু ৱ লি → ..........

কৃ ষ ক → ..........

ঔ টে ঙা → ..........

ঝু মু ৰ → ..........

কা ৰে ং ঘ ৰ → ..........

### কাৰ্য নং-৩

পঢ়োঁ আহা—

গুৱাহাটীৰ বিহুতলীত ৰূপালীয়ে নাচিব।
আমি শুৱালকুছিৰ পৰা চাবলৈ যাম।

### কাৰ্য নং-৪

ছবিখনৰ বিষয়ে যিকোনো তিনিটা শব্দ লিখোঁ আহা —



.......................... ..........................

..........................

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে শিক্ষাৰ্থী সকলক আগতে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

### কাৰ্য নং-৫

**'য়' বৰ্ণ থকা শব্দবোৰত ঘেৰ দিওঁ আহা —**

| | | | | | |
|---|---|---|---|---|---|
| কয় | শিয়াল | দয়ালু | মিলিজুলি | আকাশ | জয় |
| নদী | ছয় | নিয়ৰ | জলাশয় | ৰংঘৰ | ৰয় |

### কাৰ্য নং-৬

**ছবিৰ নামবোৰ কওঁ আৰু লিখোঁ আহা—**


.........................


.........................


.........................


.........................

### কাৰ্য নং-৭

**পঢ়োঁ আহা—**

ৰাতিৰ আকাশত জোনবাই ওলাইছে।
তৰাবোৰেও তিৰ্‌বিৰ্‌ কৰিছে।

### কাৰ্য নং-৮

**শ্ৰুতলিপি—**

.........................  .........................  .........................

.........................  .........................

..................

সপ্তাহ-৯
দিন- ৩
DD/MM/YYYY

পুনৰালোচনা

**নির্দেশনা ঃ-**

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

### কার্য নং-৯

পঢ়োঁ আহা—

| | | | | |
|---|---|---|---|---|
| নেজ | মোজা | মৌজা | কৈলাশ | ঋতু |
| চূণ | ফণী | কংস | কৃষক | ভেকুলী |

### কার্য নং-১০

প্ৰত্যেকটো আখৰেৰে আৰম্ভ হোৱা এটাকৈ নতুন শব্দ গঠন কৰি কওঁ আৰু লিখোঁ আহা—

পখিলা: প → পইচা; খি → ; লা →

খেলনা: খে → ; ল → ; না →

আকৃতি: আ → ; কৃ → ; তি →

### কার্য নং-১১

উপযুক্ত স্বৰচিহ্ন লগাই শব্দগঠন কৰোঁ আৰু পঢ়োঁ আহা —

| | | | |
|---|---|---|---|
| কষক → | কৃষক | কতপ → | |
| নমখ → | | ঝমৰ → | |
| বলহ → | | ডলম → | |

### কার্য নং-১২

ছবি চাই ছবিৰ বিষয়ে চাৰিটা শব্দ লিখোঁ আহা—



................ ................

................ ................

..................

সপ্তাহ-৯

দিন- ৪

DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে শিক্ষাৰ্থী সকলক আগতে শিকি অহা ৪-৫ টা শব্দৰ শ্ৰুতলিপি দিব।

## কাৰ্য নং-১৩

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

জ খ লা → ______

ঠে লা গা ড়ী → ______

শে ৱা লি → ______

উ ণ সূ তা → ______

কো কি ল → ______

## কাৰ্য নং-১৪

পঢ়োঁ আহা—

| | | | | |
|---|---|---|---|---|
| চিএৱৰ | কেতেকী | ঐৰাৱত | সাগৰ | ঘঁৰিয়াল |
| পঁইতাচোৰা | ঋতু | নৈঋত | ঈশাণ | তৃণ |

## কাৰ্য নং-১৫

ছবিখনৰ বিষয়ে কওঁ আৰু তাৰ বিষয়ে তিনিটা শব্দ লিখোঁ আহা—



.................. ....................

....................

## কাৰ্য নং-১৬

শ্ৰুতলিপি —

............................ ............................ ............................

............................ ............................

..................

পুনৰালোচনা

নির্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**কার্য নং-১৭**

**শব্দ গঠন কৰোঁ আহা—**

| | | | |
|---|---|---|---|
| ন | হ | ঋ | শু |
| গু | ৰু | মা | কা |
| ড় | প | ল | ন |

.......................... ..........................

.......................... ..........................

.......................... ..........................

**কার্য নং-১৮**

**শব্দত থকা শেষ আখৰেৰে নতুন শব্দ সাজি কওঁ আৰু লিখোঁ আহা —**

লতা → তাল

জাবৰ →

কমল →

**কার্য নং-১৯**

**পঢ়োঁ আহা —**

সোণাৰীয়ে সোণ- ৰূপৰ অলংকাৰ সাজে।
গুৰুজনক সেৱা কৰিবা।

**কার্য নং-২০**

**ছবি চাই জন্তু চাৰিটাৰ নাম লিখোঁ আহা —**



.................. ..................

.................. ..................

নিদানমূলক

**নির্দেশনা ঃ-**

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শিকন পৰ্য্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য্য কৰাব।

## কাৰ্য নং-২১

**'া '-কাৰ আৰু 'ি ' কাৰ লগ লগাই শব্দ সাজি কওঁ আৰু লিখোঁ আহা—**

| কল | কালি |
|---|---|
| জপ | |
| হব | |
| জক | |
| মট | |

## কাৰ্য নং-২২

**পঢ়োঁ আহা—**

ব'হাগ মাহত কপৌ ফুলে।
ৰূপকহঁতৰ বাগিচাত ৰং-বিৰঙী কপৌ ফুল আছে।

## কাৰ্য নং-২৩

তলৰ শব্দবোৰৰ প্ৰথম আখৰেৰে দুটাকৈ শব্দ লিখোঁ আহা —

নাচনী → নাম | নাক

কপৌ → ______ | ______

দলং → ______ | ______

## কাৰ্য নং-২৪

**অতিৰিক্ত কাৰ্য**

**নির্দেশনা ঃ-**

- শিক্ষকে ´ (ৰেফ) যোগ বুজাই দিব।
- শিক্ষকে তলৰ দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

### কাৰ্য নং-১

**পঢ়োঁ আহা —**

**শব্দাৱলী**

সূৰ্য, পৰ্বত, উদয়, হিমালয়



ৰাতিপুৱা আয়ানে সূৰ্যৰ ফালে মুখ কৰি থিয় হৈছে। সূৰ্য পূব দিশত উদয় হয়। দূৰত পৰ্বতবোৰ শাৰী শাৰীকৈ আছে। হিমালয় এখন পৰ্বত।

### কাৰ্য নং-২

**কথা পাতোঁ আহা —**

(ক) আয়ানে কোন ফালে মুখ কৰি থিয় হৈছে?

(খ) সূৰ্য কোন দিশত উদয় হয়?

(গ) দূৰত শাৰী শাৰীকৈ কি আছে?

### কাৰ্য নং-৩

**লিখোঁ আহা—**

| | | | |
|---|---|---|---|
| সূৰ্য | .................. | .................. | .................. |
| পৰ্বত | .................. | .................. | .................. |
| হিমালয় | .................. | .................. | .................. |

### কাৰ্য নং-৪

**পাঠ্যপুথিৰ ১১ নম্বৰ পৃষ্ঠাৰ 'গাওঁ আহা' কাৰ্য কৰোঁ আহা—**

....................

সপ্তাহ-১০

দিন- ২

DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-৫

**কওঁ আৰু লিখোঁ আহা—**

ক) সূৰ্য কোন দিশত উদয় হয়?

উত্তৰ ঃ ........................................................................................

খ) ছবিখনত পৰ্বতবোৰ কি দৰে আছে?

উত্তৰ ঃ ........................................................................................

গ) এখন পৰ্বতৰ নাম কোৱা আৰু লিখা।

উত্তৰ ঃ ........................................................................................

### কাৰ্য নং-৬

**কওঁ আহা—**

ক) পুৱাৰ সূৰ্যটো চাই কেনেকুৱা লাগে?

খ) ডাৱৰীয়া বতৰত সূৰ্য নেদেখিলে কেনেকুৱা লাগে?

### কাৰ্য নং-৭

**বাকচত থকা আখৰ বহুৱাই শব্দ লিখোঁ আহা—**

| | |
|---|---|
| তা, | ৰা, |
| কৈ, | দ |

| | | |
|---|---|---|
| খ | | হি |
| | | মা |
| | | ল |
| উ | | য় |

### কাৰ্য নং-৮

**শ্ৰুতলিপি—**

............................ ............................ ............................

............................ ............................

সপ্তাহ-১০

দিন- ৩

DD/MM/YYYY

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে ছাত্র ছাত্রীক তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

## কাৰ্য নং-৯

পঢ়োঁ আহা—

**শব্দাৱলী**

অৰ্ণৱ, খেতিয়ক, কৰ্ম, শাক-পাচলি, চহৰ



অৰ্ণৱ এজন ভাল খেতিয়ক। অৰ্ণৱে শাক-পাচলিৰ খেতি কৰে। তেওঁ নিজৰ কৰ্মটোক বৰ ভাল পায়। তেওঁ নিজৰ খেতিৰ শাক-পাচলি চহৰলৈ বেচিবলৈ পঠিয়ায়।

## কাৰ্য নং-১০

কথা পাতোঁ আহা —

ক) অৰ্ণৱ কোন?

খ) অৰ্ণৱে কি কাম কৰে?

গ) নিজৰ কাম কৰি তোমাৰ কেনেকুৱা লাগে?

## কাৰ্য নং-১১

চাই চাই দুবাৰকৈ লিখোঁ আহা —

অৰ্ণৱ এজন খেতিয়ক

......................................................................................

......................................................................................

..................

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।
- পাঠপুথিৰ ১৩ নং পৃষ্ঠাত থকা কাৰ্যকলাপসমূহ কৰাব।

### কাৰ্য নং-১২

লিখোঁ আহা —

ক) খেতিয়কজনৰ নাম কি ?

উত্তৰ ঃ ..........................................................................................

খ) অৰ্ণৱে কি খেতি কৰে ?

উত্তৰ ঃ ..........................................................................................

গ) অৰ্ণৱে নিজৰ খেতিৰ শাক-পাচলি ক'লৈ পঠিয়ায় ?

উত্তৰ ঃ ..........................................................................................

### কাৰ্য নং-১৩

কওঁ আহা—

আমাৰ ওচৰে-পাজৰে কি কি খেতি হয় কওঁ আহা।

### কাৰ্য নং-১৪

খেলি-মেলিকৈ দিয়া আখৰবোৰ সজাই শব্দ লিখোঁ আৰু পঢ়োঁ আহা—

ক তি য় খে → ____________

পা লি চ → ____________

ৰ্ম ক → ____________

### কাৰ্য নং-১৫

পাঠপুথিৰ ১৩ নং পৃষ্ঠাত থকা কাৰ্যকলাপসমূহ কৰোঁ আহা —

....................

সপ্তাহ-১০
দিন- ৫

মূল্যায়ন

**নির্দেশনা ঃ-**

- শিক্ষাৰ্থীয়ে শব্দবোৰৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ সহজ বাক্য দিব।

### কাৰ্য নং-১৬

পঢ়া —

/ ১০

| | | | |
|---|---|---|---|
| পৰ্বত | চহৰ | সূৰ্য | আদৰ্শ |
| শাক-পাচলি | কৰ্ম | খেতিয়ক | কৰ্ণ |
| | হিমালয় | মূৰ্খ | |

### কাৰ্য নং-১৭

পঢ়া —

/ ৫

দিনত সূৰ্যই আমাক পোহৰ দিয়ে।

### কাৰ্য নং-১৮

শ্ৰুতলিপি —

........................... ........................... ...........................

........................... ...........................

..................

সপ্তাহ-১০

দিন- ৬

DD/MM/YYYY

নিদানমূলক

**নিৰ্দেশনা ঃ-**

- ছাত্ৰ-ছাত্ৰীয়ে গাই গুটীয়াকৈ পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৯

**পঢ়োঁ আহা—**

**শব্দাৱলী**

পৰ্বত, বনভোজ

নিজৰা, হৰ্ষ

হৰ্ষ আৰু বীণাহঁত আজি বনভোজ খাবলৈ গ'ল। বনভোজ খোৱা ঠাইডোখৰত পৰ্বতৰ পৰা নিজৰা বৈ আহিছে। সিহঁতে গীতৰ তালে তালে নাচিছে।

### কাৰ্য নং-২০

**কওঁ আৰু লিখোঁ আহা—**

ক) বীণাহঁত ক'লৈ গৈছিল ?

উত্তৰ ঃ ............................................................................

খ) পৰ্বতৰ পৰা কি বৈ আহিছে?

উত্তৰ ঃ ............................................................................

গ) গীতৰ তালে তালে নাচি তোমাৰ কেনেকুৱা লাগে ?

উত্তৰ ঃ ............................................................................

### কাৰ্য নং-২১

**অতিৰিক্ত কাৰ্য**

.....................

সপ্তাহ-১১
দিন- ১
DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**
- শিক্ষকে ্য-কাৰ যোগ বুজাই দিব।
- শিক্ষকে শিক্ষাৰ্থীসকলক তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

্য (য়-কাৰ)

**কাৰ্য নং-১**
পঢ়োঁ আহা —

**শব্দাৱলী**
বিদ্যালয়, পাঠ্যপুথি, পদ্য



আয়াতে সদায় সময়মতে বিদ্যালয়লৈ যায়। তাই সমনীয়াৰ লগত মিলিজুলি থাকে। সিহঁতে পাঠ্যপুথিৰ উপৰিও পুথিভঁৰালৰ অন্যান্য পুথি পঢ়ে।

**কাৰ্য নং-২**
কথা পাতোঁ আহা —

ক) ছবিখনত থকা ছোৱালীজনীয়ে ক'লৈ গৈ আছে?
খ) সিহঁতে কি কি পঢ়ে?
গ) তোমালোকে কি কি পঢ়া?

**কাৰ্য নং-৩**
চাই চাই লিখোঁ আহা —

| | | | |
|---|---|---|---|
| অন্যান্য | .................. | .................. | .................. |
| বিদ্যালয় | .................. | .................. | .................. |
| পাঠ্যপুথি | .................. | .................. | .................. |
| পদ্য | .................. | .................. | .................. |

..................

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।
- পাঠ্যপুথিৰ ২০ নং পৃষ্ঠাত থকা “পঢ়োঁ আহা” কাৰ্য কৰাব।

---

**কাৰ্য নং-৪**

**কওঁ আৰু লিখোঁ আহা—**

ক) আয়াতহঁতে বিদ্যালয়ত পাঠ্যপুথিৰ উপৰিও কি পঢ়ে?

উত্তৰ ঃ ......................................................................................

খ) আয়াতে সমনীয়াৰ লগত কিদৰে থাকে?

উত্তৰ ঃ ......................................................................................

**কাৰ্য নং-৫**

**কওঁ আহা—**

আমি বিদ্যালয়ত কি কি কৰো?

**কাৰ্য নং-৬**

**লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—**

বী জ → [ ]

পা ঠ → [ ]

অ মা ত → [ ]

সা জো ন → [ ]

**কাৰ্য নং-৭**

**পাঠ্যপুথিৰ ২০ নং পৃষ্ঠাত থকা “পঢ়োঁ আহা” কাৰ্য কৰোঁ আহা —**

**কাৰ্য নং-৮**

**শ্ৰুতলিপি—**

..............................................................................................

..................

**নির্দেশনা ঃ-**

- শিক্ষকে তলৰ দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

### কাৰ্য নং-৯

**পঢ়োঁ আহা—**

**শব্দাৱলী**

অৰণ্য, ধূৰ্ত, কাছ, সতৰ্ক,



অৰণ্যত এটা ধূৰ্ত শিয়াল আছিল। এদিনাখন সি কাছ এটাক লগ পালে। শিয়াল দেখি কাছটো সতৰ্ক হ'ল।

### কাৰ্য নং-১০

**কওঁ আহা—**

ক) অৰণ্যত কোন আছিল?

খ) কাছটোৱে কিয় সতৰ্ক হৈছিল?

### কাৰ্য নং-১১

**চাই চাই দুবাৰকৈ লিখোঁ আহা —**

আমি বিদ্যালয়লৈ যাওঁ।

......................................................................................................

......................................................................................................

..................

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

## কাৰ্য নং-১২

**কওঁ আৰু লিখোঁ আহা —**

ক) শিয়ালটো ক'ত আছিল ?

উত্তৰ ঃ ..................................................................................

খ) শিয়ালে কাক লগ পাইছিল ?

উত্তৰ ঃ ..................................................................................

গ) শিয়ালে কি কি খাদ্য খায় লিখা।

উত্তৰ ঃ ..................................................................................

## কাৰ্য নং-১৩

**আখৰ-জালৰ পৰা শব্দ গঠন কৰি লিখোঁ আৰু পঢ়োঁ আহা—**

| | | | |
|---|---|---|---|
| অ | ৰ | খা | দ্য |
| ৰ | স্য | ম | ৰ্ত |
| ণ্য | গ | ধ | গ |
| প | দ্য | ধূ | ৰ্ত |

খাদ্য
........................
........................
........................
........................
........................

## কাৰ্য নং-১৪

**শ্ৰুতলিপি —**

..........................................................................................................

সপ্তাহ-১১
দিন- ৫

মূল্যায়ন

**নির্দেশনা ঃ-**

- শিক্ষাৰ্থীয়ে দফা শব্দবোৰৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ সহজ বাক্য দিব।

**কাৰ্য নং-১৫**

**পঢ়োঁ আহা—**

/১০

| | | | | |
|---|---|---|---|---|
| বন্যা | বাক্য | কৰ্ম | অৰ্থ | পৰ্বত |
| শাক-পাচলি | অন্যান্য | সত্য | সাহিত্য | তৰ্ক |

**কাৰ্য নং-১৬**

**ছবিখন চাই তলৰ শুদ্ধ বাক্যটোত '✓' চিন দিয়া—**

/১

ক) এইটো এটা গঁড়।

খ) এইটো এটা হাতী।



**কাৰ্য নং-১৭**

**শ্ৰুতলিপি —**

.................................................................................................................

..................

সপ্তাহ-১১
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নির্দেশনা ঃ-
- শিক্ষাৰ্থীয়ে নিজে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১৮**

পঢ়োঁ আহা—

**শব্দাৱলী**

ৰাজ্য, ভাৰতবৰ্ষ, শস্য, অনান্য

আমাৰ দেশ ভাৰতবৰ্ষত বহুতো ৰাজ্য আছে। ৰাজ্যবোৰত ঘেঁহু, ধানৰ উপৰিও অন্যান্য শস্যও উৎপাদন হয়।

**কাৰ্য নং-১৯**

কওঁ আৰু লিখোঁ আহা —

ক) আমাৰ দেশখনৰ নাম কি?

উত্তৰ ঃ ..................................................................................

খ) আমাৰ দেশত উৎপাদন কৰা যিকোনো দুবিধ শস্যৰ নাম লিখা।

উত্তৰ ঃ ..................................................................................

গ) চাৰিবিধ শাক-পাচলিৰ নাম কোৱা আৰু লিখা।

উত্তৰ ঃ ..................................................................................

**কাৰ্য নং-২০**

অতিৰিক্ত কাৰ্য

সপ্তাহ-১২
দিন- ১
DD/MM/YYYY

অনুশীলনী

নির্দেশনা ঃ-
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে দফাটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

ৰ-কাৰ

**কাৰ্য নং-১**

পঢ়োঁ আহা —

**শব্দাৱলী**

প্ৰাতঃসভা, প্ৰধান, প্ৰাৰ্থনা
হাতযোৰ, শিক্ষক



শিক্ষাৰ্থীসকলে বিদ্যালয়ত প্ৰাতঃসভা কৰিছে। সকলোৱে হাতযোৰ কৰি প্ৰাৰ্থনা গীত গাইছে। প্ৰধান শিক্ষকেও প্ৰাতঃ সভাত ভাগ লৈছে।

**কাৰ্য নং-২**

কথা পাতোঁ আহা —

ক) বিদ্যালয়ত শিক্ষাৰ্থীসকলে কি কৰি আছে?

খ) সকলোৱে হাতযোৰ কৰি কি কৰিছে?

গ) আমাৰ বিদ্যালয় প্ৰাতঃ সভাত আমি কি কি কৰোঁ?

**কাৰ্য নং-৩**

চাই চাই দুবাৰকৈ লিখোঁ আহা —

আমি নম্ৰ হ'ব লাগে।

.............................................................................................................

.............................................................................................................

..................

সপ্তাহ-১২
দিন- ২
DD/MM/YYYY

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

---

**কাৰ্য নং-৪**

**কওঁ আৰু লিখোঁ আহা—**

ক) শিক্ষাৰ্থীসকলে কি কৰিছে?

উত্তৰ ঃ ........................................................................................

খ) সকলোৱে কিদৰে প্ৰাৰ্থনা কৰিছে?

উত্তৰ ঃ ........................................................................................

গ) প্ৰধান শিক্ষকে কি কৰিছে?

উত্তৰ ঃ ........................................................................................

**কাৰ্য নং-৫**

**কওঁ আহা—**

আমাৰ বিদ্যালয়ৰ প্ৰাতঃসভাত কি কি কৰা হয়?

**কাৰ্য নং-৬**

**পঢ়োঁ আহা—**

প্ৰাণ　মুদ্ৰা　কৃষি　শ্ৰম

আদৰণি　বিদ্যালয়　ছাত্ৰ-ছাত্ৰী　শিক্ষয়িত্ৰী　যকৃৎ

**কাৰ্য নং-৭**

**ঘেৰত থকা আখৰেৰে শব্দ পূৰ কৰোঁ আহা—**

প্ৰ, প্ৰা

............ধান,　................ৰ্থনা,　.............তঃসভা

**কাৰ্য নং-৮**

**শ্ৰুতলিপি—**

........................................................................................

সপ্তাহ-১২

দিন- ৩

DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

---

**কাৰ্য নং-৯**

**পঢ়োঁ আহা—**

**শব্দাৱলী**

ক্ৰিয়া-কলাপ, প্ৰখৰ, বিশ্ৰাম
ছাত্ৰী, নম্ৰ, ভদ্ৰ



প্ৰখৰ ৰ'দ। সুভদ্ৰাই বিদ্যালয়ৰ পৰা আহি বিশ্ৰাম লৈছে। তাই প্ৰথম শ্ৰেণীৰ ছাত্ৰী। তাই বিদ্যালয়ৰ ক্ৰিয়া-কলাপৰ প্ৰতি বৰ আগ্ৰহী। নম্ৰ আৰু ভদ্ৰ ব্যৱহাৰৰ বাবে তাই সকলোৰে প্ৰিয়।

**কাৰ্য নং-১০**

**কথা পাতোঁ আহা —**

ক) সুভদ্ৰাই বিদ্যালয়ৰ পৰা আহি কি কৰিছে?

খ) সুভদ্ৰা কিয় সকলোৰে প্ৰিয়?

গ) আমি নম্ৰ আৰু ভদ্ৰ ব্যৱহাৰ কিয় কৰিব লাগে?

**কাৰ্য নং-১১**

**চাই চাই দুবাৰকৈ লিখোঁ আহা —**

বাঘ বন্য প্ৰাণী

..............................................................................................

..............................................................................................

..................

সপ্তাহ-১২
দিন- ৪
DD/MM/YYYY

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-১২

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) কোনে বিশ্ৰাম লৈছে?

উত্তৰ ঃ ....................................................................................

খ) সুভদ্ৰাই কি শ্ৰেণীত পঢ়ে?

উত্তৰ ঃ ....................................................................................

গ) সুভদ্ৰাৰ ব্যৱহাৰ কেনে ধৰণৰ?

উত্তৰ ঃ....................................................................................

### কাৰ্য নং-১৩

**লিখোঁ আহা—**

আমাৰ ব্যৱহাৰ কেনে হোৱা উচিত লিখোঁ আহা?

উত্তৰ ঃ ....................................................................................

### কাৰ্য নং-১৪

**ঘেৰৰ পৰা আখৰ বহুৱাই শব্দ পূৰ কৰোঁ আহা —**

থ, শ্ৰা, খৈ, গ্ৰ

আ..................    আ.............হী

বি.................ম    প্ৰ...............ম

### কাৰ্য নং-১৫

**পঢ়োঁ আহা—**

আকৃতি    ৰ'দ    সুভদ্ৰা    শ্ৰেণী    দৃঢ়    নম্ৰ    ভদ্ৰ

### কাৰ্য নং-১৬

**পাঠ্যপুথিৰ ২২ নং পৃষ্ঠাত থকা 'পঢ়োঁ আহা' কাৰ্যটো কৰোঁ আহা ।**

...................

নিৰ্দেশনা ঃ-

- শিক্ষাৰ্থীয়ে দফা শব্দবোৰৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৪-৫ টা শব্দৰ সহজ বাক্য দিব।

---

**কাৰ্য নং-১৭** — /১০

পঢ়া—

| | | | |
|---|---|---|---|
| অন্য | মূৰ্খ | ধূৰ্ত | গ্ৰহ |
| তৰ্ক | ভদ্ৰ | ছাত্ৰ-ছাত্ৰী | প্ৰাৰ্থনা |
| | প্ৰণাম | ভ্ৰমণ | |

**কাৰ্য নং-১৮** — /৫

পঢ়া—

মই দ্বিতীয় শ্ৰেণীত পঢ়ি আছোঁ।
আমাৰ বিদ্যালয়ত বহুতো ছাত্ৰ-ছাত্ৰী আছে।

**কাৰ্য নং-১৯**

শ্ৰুতলিপি —

..........................................................................................................

সপ্তাহ-১২
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-

- শিক্ষাৰ্থীয়ে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-২০**

**পঢ়োঁ আহা—**

**শব্দাৱলী**

বিল, অন্য, পৰিভ্ৰমী
অন্যায়, পৰ্যটক

হাকামা এখন বিল। বিলখনত অন্য ঠাইৰ পৰা বিবিধ চৰাই আহে। এনে চৰাইবোৰক পৰিভ্ৰমী চৰাই বুলি কোৱা হয়। পৰ্যটকে ইয়ালৈ চৰাইবোৰ চাবলৈ আহে। আমি চৰাইবোৰৰ অন্যায় কৰিব নালাগে।

**কাৰ্য নং-২১**

**কওঁ আৰু লিখোঁ আহা —**

ক) বিলখনৰ নাম কি?
উত্তৰ ঃ.......................................................................

খ) অন্য ঠাইৰ পৰা অহা চৰাইবোৰক কি চৰাই বুলি কোৱা হয়?
উত্তৰ ঃ.......................................................................

গ) হাকামা বিললৈ পৰ্যটক কিয় আহে?
উত্তৰ ঃ.......................................................................

**কাৰ্য নং-২২**

**অতিৰিক্ত কাৰ্য**

সপ্তাহ-১৩
দিন- ১
DD/MM/YYYY

পুনৰালোচনা

নির্দেশনা ঃ-
- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়াকলাপবোৰ কৰাব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীক আগতে শিকি অহা ৪-৫ টা শব্দৰ এটা বাক্যৰ শ্ৰুতলিপি দিব।

কাৰ্য নং-১

**আখৰ সজাই শব্দ কওঁ আৰু লিখোঁ আহা —**

| | | |
|---|---|---|
| ল, দ, ং | → | ........................................ |
| য়া, ল, ধী, হা | → | ........................................ |
| কি, প, তা | → | ........................................ |
| জা, জ, হা | → | ........................................ |

কাৰ্য নং-২

**ছবিৰ সৈতে নামবোৰৰ আঁচ টানি মিলাওঁ আহা—**







বিদ্যালয়

সূৰ্য

পৰ্বত

কাৰ্য নং-৩

**পঢ়োঁ আহা—**

অসম আমাৰ ৰাজ্য। অসমৰ মাটি বৰ সাৰুৱা ।
অসমৰ কৃষিজাত সামগ্ৰী দেশ বিদেশতো বিক্ৰী হয়।

কাৰ্য নং-৪

**শ্ৰুতলিপি—**

..........................................................................................

..................

সপ্তাহ-১৩
দিন- ২
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-

● শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ কাৰ্যবোৰ কৰাব।

**কাৰ্য নং-৫**

কথা পাতোঁ আহা —

গছে যদি খোজকাঢ়িব পৰিলেহেঁতেন, কি কি কৰিলেহেঁতেন?

**কাৰ্য নং-৬**

খেলি-মেলিকৈ থকা আখৰবোৰ সজাই শব্দ লিখোঁ আৰু পঢ়োঁ আহা—

| প্ৰ মা তি | → | ................................................ |
|---|---|---|
| বি ল য় দ্যা | → | ................................................ |
| গ ল জা | → | ................................................ |

**কাৰ্য নং-৭**

শুদ্ধ বাক্যটো বাছি উলিয়াই লিখোঁ আহা—

ক) বাঘৰ ঠেং চাৰিখন।

খ) বাঘৰ ঠেং ছয়খন।

.........................................



**কাৰ্য নং-৮**

পঢ়োঁ আহা—

| | | | | |
|---|---|---|---|---|
| ৰূপ | ভাৰতবৰ্ষ | তলাতল | গুটি | হিমালয় |
| ব্যাঘ্ৰ | বিদ্যালয় | পাৰ্গত | আগ্ৰহ | সত্ৰ |

..................

নিৰ্দেশনা ঃ-

● শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ কাৰ্যবোৰ কৰাব।

কাৰ্য নং-৯

উত্তৰ কওঁ আৰু লিখোঁ আহা —

ক) ভালপোৱা এটি ফলৰ নাম ?

উত্তৰ ঃ ........................................................................................

খ) তোমাৰ ঘৰত মুঠ কেইজন মানুহ আছে?

উত্তৰ ঃ ........................................................................................

গ) সাধু শুনি তুমি কেনে পোৱা?

উত্তৰ ঃ ........................................................................................

কাৰ্য নং-১০

শেষৰ ধ্বনি মিল থকা শব্দ কওঁ আৰু লিখোঁ আহা—

মিত্ৰ → চিত্ৰ [ ]

ককা → [ ] [ ]  ভাই → [ ] [ ]

কাৰ্য নং-১১

পঢ়োঁ আহা—

ডাঙৰ হাবিক অৰণ্য বোলে।
নম্ৰতাই দৰ্জাৰ কাষত বহিছে।
চৰাইবোৰ আকাশত উৰিছে।

কাৰ্য নং-১২

চাই চাই দুবাৰকৈ লিখোঁ আহা —

মাছ পানীত থাকে।

........................................................................................

........................................................................................

সপ্তাহ-১৩

দিন- ৪

DD/MM/YYYY

নিদানমূলক

**নিৰ্দেশনা ঃ-**

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ কাৰ্যবোৰ কৰাব।
- শিক্ষকে  শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৩

পঢ়োঁ আহা—

| | | | | |
|---|---|---|---|---|
| অৰ্থ | পৰ্বত | উৎসৱ | হঠাৎ | শস্য |
| সত্য | প্ৰাণ | অভ্যাস | বৃক্ষ | মৎস্য |

### কাৰ্য নং-১৪

আখৰ সজাই শব্দ কওঁ আৰু লিখোঁ আহা—

অ য় ন্যা → অন্যায়

ধা প্ৰ ন →

দ্য খা →

### কাৰ্য নং-১৫

শব্দ গঠন কৰি লিখোঁ আৰু পঢ়োঁ আহা—

| | | | | | |
|---|---|---|---|---|---|
| ত | খা | প | গ | প্ৰা | পা |
| নী | ণ | ৰ্ক | ত্ৰ | দ্য | ঠ |

তৰ্ক

### কাৰ্য নং-১৬

চাই চাই লিখোঁ আহা—

অসমৰ চাহ পৃথিৱী বিখ্যাত।

........................................................................................................

........................................................................................................

....................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ কাৰ্যবোৰ কৰাব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীক আগতে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্যৰ শ্ৰুতলিপি দিব।

### কাৰ্য নং-১

**ছবিটোৰ সলনি শব্দ প্ৰয়োগ কৰি বাক্যটো কওঁ আৰু লিখোঁ আহা —**

আমি  ত পানী খাওঁ।

.............................................................................................

### কাৰ্য নং-২

**আখৰ-জালৰ পৰা শব্দ লিখোঁ আহা—**

| | | | |
|---|---|---|---|
| আ | ৰো | গ্য | এ |
| দ | প্ৰ | ণা | ক |
| ৰ্শ | খ | নি | ল |
| ক | ৰ | ক | ব্য |
| বি | দ্যা | ল | ছ |

আৰোগ্য

..............................

..............................

..............................

..............................

### কাৰ্য নং-৩

**আমাৰ বিদ্যালয়ৰ বিষয়ে এটা বাক্য লিখোঁ আহা।**

.............................................................................................

### কাৰ্য নং-৪

**শ্ৰুতলিপি —**

.............................................................................................

..................

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ কাৰ্যবোৰ কৰাব।

## কাৰ্য নং-৫

পঢ়োঁ আহা—

| | | | |
|---|---|---|---|
| খাদ্য | দৈনিক | প্ৰিয় | সুভদ্ৰা |
| পদ্য | অভ্যাস | বিদ্যালয় | কন্যা |

## কাৰ্য নং-৬

সঠিক শব্দৰে খালী ঠাই পূৰ কৰোঁ আহা—

ক) .............বনৰীয়া প্ৰাণী। (হৰিণ/ ছাগলী)

খ) ডাঠ হাবিক ................................ বোলে। (অৰণ্য/ পুখুৰী)

গ) সাগৰক ................................ বোলে। (সমুদ্ৰ/ নদী)

## কাৰ্য নং-৭

হাবিত থকা চাৰিটা প্ৰাণীৰ নাম কওঁ আহা।

## কাৰ্য নং-৮

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—



সপ্তাহ-১৪
দিন- ৩
DD/MM/YYYY

পুনৰালোচনা

নিৰ্দেশনা ঃ-
- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ কাৰ্যবোৰ কৰাব।
- শিক্ষকে শিক্ষাৰ্থীক আগতে শিকি অহা ৪-৫ টা শব্দৰ এটা সহজ বাক্যৰ শ্ৰুতলিপি দিব।

### কাৰ্য নং-৯

**ঘেৰৰ পৰা আখৰ লৈ শব্দ পূৰ কৰি কওঁ আৰু লিখোঁ আহা—**

ৰ্ব, শ্ৰ, ভ্যা, ত্য

সাহি.........

প...........ত

আ.........ম

অ.........স

### কাৰ্য নং-১০

**পঢ়োঁ আহা—**

আমাৰ ৰাজ্যখনৰ নাম অসম।
অসমৰ ৰাজধানী দিছপুৰ।
কাজিৰঙা এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত।

### কাৰ্য নং-১১

**আখৰ-জালৰ পৰা শব্দ সাজি লিখোঁ আহা—**

| | | | |
|---|---|---|---|
| প | ৰ্ব | ত | সা |
| ব্যা | ছা | ৰ্ক | হি |
| ঘ্ৰ | ত্ৰ | শ্ৰ | ত্য |
| অ | ভ্ৰ | ম | ণ |

.............................................

.............................................

.............................................

.............................................

### কাৰ্য নং-১২

**শ্ৰুতলিপি—**

..........................................................................................................

....................

সপ্তাহ-১৪
দিন- ৪
DD/MM/YYYY

নিদানমূলক

নির্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ কাৰ্যবোৰ কৰাব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১৩**

**পঢ়োঁ আহা—**

দীপজ্যোতি এজন ভাল ল'ৰা। সি নিতৌ প্ৰাৰ্থনা কৰে। তেওঁৰ প্ৰতিগৰাকী সমনীয়াই নম্ৰ। তেওঁলোক সকলোৰে প্ৰিয়পাত্ৰ। শিক্ষকে তেওঁলোকক বৰ ভাল পায়। দীপজ্যোতিয়ে নিতৌ খেলা-ধূলাও কৰে।

**কাৰ্য নং-১৪**

**তলৰ দুটা ঘেৰৰ পৰা আখৰ লৈ ছয়টা শব্দ গঠন কৰি কওঁ আৰু লিখোঁ আহা—**

ভ পা চি দ ক্ষি স

দ্ৰ ত্ৰ ৰ্প প্ৰ

| | |
|---|---|
| দৰ্প | |
| | |
| | |

**কাৰ্য নং-১৫**

**শব্দবোৰ সজাই বাক্যবোৰ লিখোঁ আহা -**

ঘৰখন ওচৰত পাহাৰৰ।

আছে বনৰীয়া পাহাৰখনত প্ৰাণী।

ঘৰ এইটো ৰীতাৰ।

**কাৰ্য নং-১৬**

**অতিৰিক্ত কাৰ্য—**

....................

নির্দেশনা ঃ-

- শিক্ষকে 'ন্দ' যুক্তাক্ষৰটো পৰিচয় কৰাব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলৰ দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

ন্দ

**কাৰ্য নং-১**

পঢ়োঁ আহা—

**শব্দাৱলী**

আনন্দিত, পছন্দ
আবেলি



বিমল আজি বৰ আনন্দিত হৈ আছে। তাৰ ককাক আহিছে। ককাকে এটা পুতলা আনিছে। পুতলাটো তাৰ বৰ পছন্দ হৈছে। আবেলি নন্দৰ লগত সি পুতলা খেলিব।

**কাৰ্য নং-২**

কথা পাতোঁ আহা—

ক) বিমলৰ বাবে কোনে পুতলা আনিছে?
খ) সি কাৰ লগত পুতলা খেলিব?
গ) তুমি কাৰ লগত খেলি ভালপোৱা?

**কাৰ্য নং-৩**

চাই চাই দুবাৰকৈ লিখোঁ আহা —

মই কিতাপ পঢ়ি বৰ আনন্দ পাওঁ।

..............................................................................................

..............................................................................................

সপ্তাহ-১৫

দিন- ২

DD/MM/YYYY

অনুশীলনী

নিৰ্দেশনা ঃ-

- শিক্ষকে আগদিনা পঢ়ি অহা দফাটো শিক্ষাৰ্থীসকলক গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্ব শিকি অহা ৬-৭ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-৪

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

(ক) কোনে আনন্দিত হৈ আছিল?

উত্তৰ ঃ ................................................................................

(খ) বিমলৰ ককাকে কি আনিছিল?

উত্তৰ ঃ ................................................................................

(গ) বিমলে নন্দৰ লগত কেতিয়া পুতলা খেলিব?

উত্তৰ ঃ ................................................................................

### কাৰ্য নং-৫

**লিখোঁ আহা—**

**আজৰি সময়ত আমি খেলা খেলৰ নাম।**

উত্তৰ ঃ ................................................................................

### কাৰ্য নং-৬

**খেলিমেলিকৈ দিয়া আখৰবোৰ সজাই শব্দ লিখোঁ আৰু পঢ়োঁ আহা—**

ত | পু | লা → [ ]

ন্দ | ন → [ ]

ন্দ | প | ছ → [ ]

### কাৰ্য নং-৭

**শ্ৰুতলিপি—**

.........................................................................................................

.........................................................................................................

সপ্তাহ-১৫
দিন- ৩
DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

---

**কাৰ্য নং-৮**

**পঢ়োঁ আহা —**

**শব্দাৱলী**

চন্দন, সুন্দৰ
তলসৰা, চানেকি



ৰতনৰ ঘৰৰ কাষত এখন হাবি আছে। হাবিখনত বহুতো চন্দন গছ আছে। চন্দন গছৰ গুটিবোৰ ৰঙা। তলসৰা গুটিবোৰ সি বুটলি আনে। গুটিবোৰেৰে সি সুন্দৰ চানেকি সাজে।

**কাৰ্য নং-৯**

**কথা পাতোঁ আহা —**

ক) ৰতনৰ ঘৰৰ কাষত কি আছে?

খ) হাবিখনত বহুতো কি গছ আছে?

গ) তলসৰা গুটিবোৰ বুটলি আনি ৰতনে কি সাজে?

ঘ) তোমালোকে গছৰ তলসৰা গুটি বুটলানে? সেই গুটিবোৰ তোমালোকে কি কৰা?

**কাৰ্য নং-১০**

**শব্দৰে বাক্য লিখোঁ আহা —**

আনন্দ ..........................................................................................

বান্দৰ ..........................................................................................

......................

সপ্তাহ-১৫
দিন- ৪
DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্ব শিকি অহা ৬-৭ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-১১

উত্তৰ লিখোঁ আহা—

ক) হাবিখনত বহুতো কি গছ আছে?

উত্তৰ ঃ ..........................................................................................

খ) চন্দন গছৰ গুটিবোৰ কি ৰঙৰ?

উত্তৰ ঃ ..........................................................................................

গ) ৰতনে হাবিৰ পৰা গুটিবোৰ বুটলি আনি কি কৰে?

উত্তৰ ঃ ..........................................................................................

### কাৰ্য নং-১২

কওঁ আৰু লিখোঁ আহা—

**গছৰ পৰা পোৱা চাৰি বিধ সামগ্ৰীৰ নাম কওঁ আৰু লিখোঁ আহা—**

উত্তৰঃ..........................................................................................

### কাৰ্য নং-১৩

**খালী ঠাইত আখৰ বহুৱাই শব্দ পূৰ কৰোঁ আহা—**

| | | |
|---|---|---|
| | | |
| বা | ন্দ | |
| | ৰ | |

| | | |
|---|---|---|
| | | ন্দ |
| আ | | |
| | | |

### কাৰ্য নং-১৪

**ছবি চাই এটা বাক্য লিখোঁ আহা —**



...................................................................

...................................................................

### কাৰ্য নং-১৫

পাঠ্যপুথিৰ ৬৮ নং পৃষ্ঠাত থকা ‘পঢ়োঁ আহা’ কাৰ্যটো কৰোঁ আহা —

.....................

নিৰ্দেশনা ঃ-

- শিক্ষাৰ্থীয়ে দফা শব্দবোৰৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ টা শব্দৰ দুটা সহজ বাক্য দিব।

### কাৰ্য নং-১৬

পঢ়া—

/২০

এখন নদীৰ পাৰত এডাল জাম গছ আছিল। বান্দৰ এটাই জাম খাবলৈ প্ৰায়ে গছডালত উঠিছিল। সি সদায় পেট ভৰাই জাম খাইছিল।

### কাৰ্য নং-১৭

উত্তৰ লিখা —

/২

ক) নদীৰ পাৰত কি গছ আছিল?

উত্তৰ ঃ ..................................................................................

খ) জাম খাবলৈ কোনে গছডাললৈ প্ৰায়েই আহিছিল?

উত্তৰ ঃ ..................................................................................

### কাৰ্য নং-১৮

শ্ৰুতলিপি—

..................................................................................................

..................................................................................................

**নির্দেশনা ঃ-**

- শিক্ষাৰ্থীয়ে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৯

**পঢ়োঁ আহা—**

**শব্দাৱলী**

প্ৰথম, বান্দৰ,
আনন্দ, খাবলৈ

ৰমেনে বাটত এটা বান্দৰ দেখা পালে। সি প্ৰথম বাৰৰ বাবে বান্দৰ দেখা পাইছে। ৰমেনৰ আইতাকে বান্দৰটোক এটা কল খাবলৈ দিলে। বান্দৰটোৱে কলটো খোৱাত ৰমেনৰ বৰ আনন্দ লাগিল।

### কাৰ্য নং-২০

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) ৰমেনে বান্দৰটো ক'ত দেখিছিল ?

উত্তৰ ঃ.....................................................................

খ) ৰমেনৰ কিয় আনন্দ লাগিছিল ?

উত্তৰ ঃ.....................................................................

### কাৰ্য নং-২১

**অতিৰিক্ত কাৰ্য—**

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে 'ন্ধ' যুক্তাক্ষৰটো পৰিচিত কৰাব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

ন্ধ

**কাৰ্য নং-১**

পঢ়া—

**শব্দাৱলী**

অন্ধ, নেদেখে, উচিত



যাদৱ এজন অন্ধ মানুহ। যাদৱে লাঠীৰ সহায়ত খোজ কাঢ়ে। তেওঁ কিতাপ পঢ়িব জানে। অন্ধ হ'লেও তেওঁ মাত শুনি মানুহ চিনিব পাৰে। অন্ধই দুয়োটা চকুৰে নেদেখে। অন্ধ মানুহক আমি সহায় কৰা উচিত।

**কাৰ্য নং-২**

কথা পাতোঁ আহা —

ক) যাদৱে দুয়োটা চকুৰে দেখে নে?

খ) অন্ধ হ'লেও যাদৱে কি কি কাম কৰিব পাৰে?

গ) যাদৱে কেনেকৈ মানুহ চিনাক্ত কৰে?

**কাৰ্য নং-৩**

বাক্য সাজি লিখোঁ আহা —

বন্ধ ........................................................................................................

অন্ধ ........................................................................................................

আন্ধাৰ ........................................................................................................

সপ্তাহ-১৬
দিন- ২
DD/MM/YYYY

অনুশীলনী

নিৰ্দেশনা ঃ-
- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-৪**

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) অন্ধ মানুহজনৰ নাম কি?

উত্তৰ ঃ ..........................................................................................

খ) যাদৱে কিহৰ সহায়ত খোজ কাঢ়ে?

উত্তৰ ঃ ..........................................................................................

গ) যাদৱে কিতাপ পঢ়িব জানে নে?

উত্তৰ ঃ ..........................................................................................

**কাৰ্য নং-৫**

**কথা পাতোঁ আহা —**

ক) যাদৱে কিদৰে মানুহক চিনি পায়?

খ) অন্ধ মানুহক কিদৰে সহায় কৰিব পাৰি?

**কাৰ্য নং-৬**

**খেলি-মেলিকৈ দিয়া আখৰবোৰ লগ লগাই শব্দ লিখোঁ আৰু পঢ়োঁ আহা—**

ন্ধ | অ → অন্ধ

দ | ৱ | যা → ____

য় | হা | স → ____

**কাৰ্য নং-৭**

**পঢ়োঁ আহা—**

নাঙল | কান্ধ | আন্ধাৰ | দেউতা | সহায় | বন্ধাকবি | ইন্ধন

**কাৰ্য নং-৮**

**শ্ৰুতলিপি—**

..........................................................................................

..........................................................................................

..................

সপ্তাহ-১৬

দিন- ৩

DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

কাৰ্য নং-৯

পঢ়োঁ আহা—

**শব্দাৱলী**

ভাও, বন্ধু, বান্ধৱী, ভাওনা, গান্ধাৰী



জন আৰু বিমল ভাল বন্ধু। জেৰিফা তেওঁলোকৰ বান্ধৱী। এইবাৰ গৰমৰ বন্ধত তেওঁলোক জেৰিফাহঁতৰ গাঁৱলৈ যাব। তাত তেওঁলোকে ভাওনা চাব। জেৰিফাই ভাওনাত গান্ধাৰীৰ ভাও ল'ব।

কাৰ্য নং-১০

কথা পাতোঁ আহা —

ক) জেৰিফা কাৰ কাৰ বান্ধৱী?

খ) জন আৰু বিমল কাৰ গাঁৱলৈ যাব?

গ) তুমি কেতিয়াবা ভাওনা চাই পাইছা নে?

কাৰ্য নং-১১

পাঠ্যপুথিৰ ৬৮ নং পৃষ্ঠাৰ 'পঢ়ো আহাঁ' কাৰ্য কৰোঁ আহা —

কাৰ্য নং-১২

বাক্য সাজি লিখোঁ আহা—

গোন্ধ ......................................................................

বন্ধু ......................................................................

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

কাৰ্য নং-১৩

**কওঁ আৰু লিখোঁ আহা—**

ক) বন্ধু দুজনৰ নাম কি?

উত্তৰ ঃ ..........................................................................

খ) জেৰিফা কোন?

উত্তৰ ঃ ..........................................................................

গ) ভাওনাত জেৰিফাই কি ভাও ল'ব?

উত্তৰ ঃ ..........................................................................

কাৰ্য নং-১৪

**কথা পাতোঁ আহা—**

গৰমৰ বন্ধত তুমি কি কৰি ভাল পোৱা?

কাৰ্য নং-১৫

**আখৰ-জালৰ পৰা শব্দ গঠন কৰোঁ আহা—**

| | | | |
|---|---|---|---|
| ম | ব | জা | বা |
| এ | ন্ধা | ৰ | ৰি |
| ক | কা | নু | ষা |
| বা | ন্ধ | ৱী | ক |

..................................................

..................................................

..................................................

..................................................

কাৰ্য নং-১৬

**মোৰ বন্ধু বা বান্ধৱীৰ বিষয়ে এটা বাক্য লিখোঁ আহা—**

..........................................................................................................

নির্দেশনা ঃ-

- শিক্ষাৰ্থীয়ে দফাটোৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ টা শব্দৰ দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৭** /২০

**পঢ়াঁ—**

এহাল বুঢ়া-বুঢ়ী আছিল। এদিনাখন বুঢ়া-বুঢ়ীয়ে নিজৰ কামবোৰ সাল-সলনি কৰিলে। পিছদিনা কান্ধত নাঙল লৈ বুঢ়ী হাললৈ গ'ল। বুঢ়াই ঘৰৰ কামবোৰ কৰিলে।

**কাৰ্য নং-১৮** /২

**উত্তৰ লিখা—**

ক) বুঢ়া-বুঢ়ীয়ে কামবোৰ কি কৰিলে?

উত্তৰ ঃ..............................................................................

খ) বুঢ়ীয়ে কান্ধত কি লৈ গৈছিল?

উত্তৰ ঃ..............................................................................

**কাৰ্য নং-১৯**

**শ্ৰুতলিপি—**

..............................................................................

..............................................................................

সপ্তাহ-১৬
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-
- ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-২১**

**পঢ়োঁ আহা—**

কাইলৈৰ পৰা গৰমৰ বন্ধ। সুনিতা বন্ধুৰ ঘৰলৈ গৈছে। গৰমৰ বন্ধত দুয়ো শিৱসাগৰলৈ যাব। শিৱসাগৰত ৰংঘৰ আৰু কাৰেংঘৰ চাব। দুয়ো বন্ধৰ দিনকেইটা আনন্দেৰে পাৰ কৰিব।

**শব্দাৱলী**

বন্ধ, বন্ধু, আনন্দ

**কাৰ্য নং-২২**

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) সুনিতা কাৰ ঘৰলৈ গৈছে?

উত্তৰ ঃ .................................................................................

খ) শিৱসাগৰত সিহঁতে কি কি চাব?

উত্তৰ ঃ .................................................................................

গ) বিদ্যালয় বন্ধৰ দিনত তুমি কি কি কৰা?

উত্তৰ ঃ .................................................................................

**কাৰ্য নং-২৩**

**অতিৰিক্ত কাৰ্য**

......................

সপ্তাহ-১৭

দিন- ১

DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে 'ন্ম' যুক্তাক্ষৰটো পৰিচয় কৰাব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

ন্ম

### কাৰ্য নং-১

**পঢ়োঁ আহা—**

**শব্দাৱলী**

বিতৰণ, তন্ময়, জন্মদিন
ৰোপন, প্ৰতিটো, বন্ধু-বান্ধৱী



এপ্ৰিল মাহৰ প্ৰথম দিনা তন্ময়ৰ জন্মদিন। সি প্ৰতিবছৰে জন্মদিন পালন কৰে। সি বন্ধু-বান্ধৱীক ঘৰলৈ মাতে। বন্ধু-বান্ধৱীৰ লগত আনন্দ কৰে। তন্ময়ে জন্মদিনত দুখীয়াসকলক খাদ্য বিতৰণ কৰে। সি প্ৰতিটো জন্মদিনত এটাকৈ গছ পুলি ৰোপন কৰে।

### কাৰ্য নং-২

**কথা পাতোঁ আহা —**

ক) তন্ময়ে জন্মদিনৰ দিনা ঘৰলৈ কাক মাতে?

খ) বন্ধু-বান্ধৱীৰ লগত সি কি কৰে?

গ) তন্ময়ে তাৰ জন্মদিনত কি কি কৰে?

### কাৰ্য নং-৩

**খালী ঠাই বোৰত আখৰ বহুৱাই শব্দ লিখোঁ আহা—**

ত ..... য় → ____________

জ ন্ম ..... ন → ____________

..... প ন → ____________

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্ব জানি অহা ৬-৭ শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-৪

লিখোঁ আহা—

ক) তন্ময়ৰ জন্মদিন কেতিয়া?

উত্তৰ ঃ ..........................................................................

খ) তন্ময়ে জন্মদিনত কি কৰে?

উত্তৰ ঃ ..........................................................................

### কাৰ্য নং-৫

কথা পাতোঁ আহা —

তোমাৰ জন্মদিনত তুমি কি কি কৰা?

### কাৰ্য নং-৬

আখৰ-জালৰ পৰা শব্দ লিখোঁ আহা —

| | | | |
|---|---|---|---|
| জ | ল | জ | উ |
| না | গ | ন্ম | মা |
| ব | ৰ | দি | ন |
| ন্ধ | আ | ন | ন্দ |

............................ ............................

............................ ............................

............................ ............................

### কাৰ্য নং-৭

পঢ়োঁ আহা—

তন্ময় বিতৰণ জন্মদিন আনন্দ ভাওনা দুখীয়া

সপ্তাহ-১৭

দিন- ৩

DD/MM/YYYY

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীয়ে আগতে শিকি অহা ৬-৭ টা শব্দৰ দুটা সহজবাক্যৰ শ্ৰুতলিপি দিব।

**কাৰ্য নং-৮**

**পঢ়োঁ আহা—**

**শব্দাৱলী**

অহিংসা, সত্য, সমগ্ৰ, সন্মান



পোৰবন্দৰত গান্ধীজীৰ জন্ম হৈছিল। গান্ধীজীয়ে দেশৰ হকে নিজৰ প্ৰাণ বিসৰ্জন দিছিল। তেওঁক সকলোৱে সন্মান কৰে। তেওঁ সত্য আৰু অহিংসাৰ পূজাৰী আছিল। গান্ধীজীৰ জন্মদিনটো সমগ্ৰ দেশতে অতি উৎসাহেৰে পালন কৰা হয়।

**কাৰ্য নং-৯**

**কথা পাতোঁ আহা —**

ক) গান্ধীজীৰ ক'ত জন্ম হৈছিল?

খ) তেওঁ কিহৰ পূজাৰী আছিল?

গ) গান্ধীজীৰ জন্মদিনটো তোমালোকে কিদৰে পালন কৰা?

**কাৰ্য নং-১০**

**তলৰ শব্দৰে একোটা বাক্য সাজোঁ আহা —**

বিসৰ্জন ..........................................................................................

সন্মুখ ..........................................................................................

**কাৰ্য নং-১১**

**শ্ৰুতলিপি —**

..........................................................................................

..........................................................................................

..........................

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষার্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

---

**কাৰ্য নং-১২**

**লিখোঁ আহা—**

ক) গান্ধীজীয়ে কাৰ হকে নিজৰ প্ৰাণ বিসৰ্জন দিছিল?

উত্তৰ ঃ ...........................................................................

খ) সত্য আৰু অহিংসাৰ পূজাৰী কোন আছিল?

উত্তৰ ঃ ...........................................................................

**কাৰ্য নং-১৩**

**কথা পাতোঁ আহা—**

গান্ধীজীক সকলোৱে কিয় সন্মান কৰে?

**কাৰ্য নং-১৪**

**খেলি-মেলিকৈ দিয়া আখৰবোৰ লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা —**

ক, ক্ষ, শি → শিক্ষক

ন্মা, স, ন → ............

নী, ম, স, য়া → ............

দ্য, খা → ............

**কাৰ্য নং-১৫**

**শ্ৰুতলিপি—**

...........................................................................

...........................................................................

নির্দেশনা ঃ-

- শিক্ষাৰ্থীয়ে দফাটোৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।

**কাৰ্য নং-১৬**

**পঢ়াঁ—**

২০

মনীষাৰ দেউতাক এজন সন্মানীয় লিখক। এইবাৰ মনীষাৰ জন্মদিনত তেওঁ এখন নতুন সাধুপুথি উন্মোচন কৰিছে। মনীষাই সাধুপুথিখন পঢ়ি বৰ আনন্দ পাইছে।

**কাৰ্য নং-১৭**

**উত্তৰ লিখা—**

২

ক) মনীষাৰ দেউতাক কোন আছিল?

উত্তৰ ঃ.......................................................................

খ) মনীষাৰ জন্মদিনত দেউতাকে কি উন্মোচন কৰিছিল?

উত্তৰ ঃ.......................................................................

**কাৰ্য নং-১৮**

**তলৰ শব্দৰে বাক্য লিখা —**

ৰোপণ .......................................................................

খাদ্য .......................................................................

সপ্তাহ-১৭
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নির্দেশনা ঃ-
- শিক্ষকে শব্দাৱলীৰ সম্পৰ্কে আলোচনা কৰিব।
- শিক্ষকে শব্দাৱলীৰ অৰ্থ বুজাত সহায় কৰিব।
- শিক্ষকে শব্দকেইটাৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰিব।

### কাৰ্য নং-১৯

**পঢ়োঁ আহা—**

**শব্দাৱলী**

বাৰ্ষিক, আয়োজন, দায়িত্ব, উন্মোচন, উপভোগ, বিধে-বিধে, অংশগ্ৰহণ

অৰুণিতাহঁতৰ বিদ্যালয়ত বাৰ্ষিক খেল-ধেমালিৰ আয়োজন কৰিছে। সকলো ছাত্ৰ-ছাত্ৰীয়ে খেলত ভাগ ল'বলৈ আহিছে। প্ৰধান শিক্ষকে খেল উন্মোচন কৰিছে। সকলো শিক্ষকে দায়িত্ব লৈ বিধে-বিধে খেলবোৰ খেলাইছে। খেলত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে বৰ আনন্দ উপভোগ কৰিছে।

### কাৰ্য নং-২০

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) অৰুণিতাহঁতৰ বিদ্যালয়ত কি পাতিছে?

উত্তৰ ঃ..........................................................................................

খ) প্ৰধান শিক্ষকে কি কৰিছে?

উত্তৰ ঃ..........................................................................................

গ) তোমালোকৰ বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি উদ্‌যাপনত তোমালোকে কি কি খেল খেলা?

উত্তৰ ঃ..........................................................................................

### কাৰ্য নং-২১

**অতিৰিক্ত কাৰ্য**

.....................

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে'ন্ত', 'ন্ন' যুক্তাক্ষৰ দুটা বুজাই পৰিচয় কৰাব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

ন্ত, ন্ন

### কাৰ্য নং-১

পঢ়োঁ আহা —

**শব্দাৱলী**

খেলনা, দোকান, শেষত, চিন্তা, তন্ন-তন্ন, আনন্দ, মেলা



ৰীমাহঁতৰ ওচৰৰ গাঁওত মেলা পাতিছে। ৰীমাই দেউতাকৰ লগত মেলা চাবলৈ গ'ল। তাই মেলাত ইফালে-সিফালে ঘূৰি ফুৰিছিল। তাই কি কিনিব তাকে লৈ চিন্তাত পৰিল। শেষত খেলনাৰ দোকানবোৰত তন্ন-তন্নকৈ বিচাৰি তাই নিজৰ পছন্দৰ খেলনা এটা কিনিলে। তাই বৰ আনন্দ পালে।

### কাৰ্য নং-২

কথা পাতোঁ আহা —

ক) ৰীমাহঁতৰ ওচৰৰ গাঁওখনত কি পাতিছে?

খ) ৰীমাই কাৰ লগত মেলা চাবলৈ গৈছিল?

গ) তুমি কেতিয়াবা মেলা চাবলৈ গৈছানে?

ঘ) মেলাত কি কি দেখা পোৱা যায়?

### কাৰ্য নং-৩

বাক্য সাজি লিখোঁ আহা —

শান্ত ..............................................................................

সুন্দৰ ..............................................................................

...................

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-৪**

**কওঁ আৰু লিখোঁ আহা—**

ক) মেলা চাবলৈ কোন কোন গৈছিল ?

উত্তৰ ঃ.......................................................................

খ) মেলাখন ক'ত হৈছিল ?

উত্তৰ ঃ.......................................................................

গ) ৰীমাই কি কিনিলে ?

উত্তৰ ঃ.......................................................................

**কাৰ্য নং-৫**

**কথা পাতোঁ আহা—**

তুমি মেলালৈ গ'লে কি কি কৰা ?

**কাৰ্য নং-৬**

**আখৰ-জালৰ পৰা শব্দ লিখোঁ আহা—**

| | | | |
|---|---|---|---|
| ব | আ | ম | দি |
| ন | ন | ন্দ | গ |
| অ | ন্দ | অ | ন্ত |
| ন্ত | উ | ন্ন | তি |

........................ ........................

........................ ........................

........................ ........................

**কাৰ্য নং-৭**

**শ্ৰুতলিপি—**

..........................................................................................................

..........................................................................................................

...................

নিৰ্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

### কাৰ্য নং-৮

পঢ়োঁ আহা—

**শব্দাৱলী**

সমনীয়া, অন্তত
চাফ-চিকুণ, জিৰণি



এইখন দীপুৰ ঘৰৰ ওচৰৰ ফুটবল খেলপথাৰ। দীপুৱে সদায় আবেলি তাত ফুটবল খেলে। সমনীয়াৰ লগত ফুটবল খেলি সি বৰ আনন্দ পায়। খেলৰ অন্তত ঘৰলৈ উভতি গৈ নিজে চাফ-চিকুণ হৈ জিৰণি লয়। জিৰণিৰ অন্তত গধূলি সি পঢ়া-শুনা কৰিবলৈ লয়।

### কাৰ্য নং-৯

কথা পাতোঁ আহা —

ক) ফুটবল খেলপথাৰখন ক'ত আছে?

খ) দীপুৱে কেতিয়া ফুটবল খেলে?

গ) ফুটবল খেলি তোমালোকৰ কেনে লাগে?

### কাৰ্য নং-১০

ফুটবল খেলৰ বিষয়ে দুশাৰী বাক্য লিখোঁ আহা —

.......................................................................................................................

.......................................................................................................................

....................

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

কাৰ্য নং-১১

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) দীপুৰে কেতিয়া ফুটবল খেলে?

উত্তৰ ঃ ...........................................................................................

খ) জিৰণিৰ অন্তত গধূলি দীপুৰে কি কৰে?

উত্তৰ ঃ ...........................................................................................

গ) দীপুৰে কাৰ সৈতে খেলি আনন্দ পায়?

উত্তৰ ঃ ...........................................................................................

কাৰ্য নং-১২W

**কথা পাতোঁ আহা —**

আমি নিজক কিয় চাফ-চিকুণ কৰি ৰাখিব লাগে?

কাৰ্য নং-১৩

**খেলি-মেলিকৈ দিয়া আখৰবোৰ সজাই শব্দ লিখোঁ আৰু পঢ়োঁ আহা—**

ন্ত অ → ..........

ণি জি ৰ → ..........

গ ন্ত দি → ..........

স প্ৰ ন্ন → ..........

ল ফু ব ট → ..........

নী স ম য়া → ..........

কাৰ্য নং-১৪

**শ্ৰুতলিপি—**

...........................................................................................

...........................................................................................

..................

নিৰ্দেশনা ঃ-
- শিক্ষাৰ্থীয়ে দফাটোৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ টা শব্দৰ দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৫**

পঢ়োঁ আহা—

/২০

প্ৰসন্ন খুৰাৰ ঘৰ কমলপুৰত। তেওঁৰ ঘৰৰ ওচৰত এটা নামঘৰ আছে। তেওঁ সদায় নামঘৰত গধূলি দবা কোবায়। অনন্তই সদায় নামঘৰত বন্তি দিয়ে।

**কাৰ্য নং-১৬**

লিখা—

/২

ক) প্ৰসন্ন খুৰাৰ ঘৰ ক'ত?

উত্তৰ ঃ........................................................................................

খ) কোনে সদায় নামঘৰত বন্তি দিয়ে?

উত্তৰ ঃ........................................................................................

**কাৰ্য নং-১৭**

শ্ৰুতলিপি —

........................................................................................................................

........................................................................................................................

সপ্তাহ-১৮
দিন- ৬
DD/MM/YYYY

নিদানমূলক

**নির্দেশনা ঃ-**
- শিক্ষাৰ্থীয়ে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১৮**

পঢ়োঁ আহা—

**শব্দাৱলী**

খাদ্যমেলা, প্ৰান্তত, জুতি, থলুৱা, প্ৰৱেশ দুৱাৰ, অংশগ্ৰহণ, খাদ্য-সামগ্ৰী

আমাৰ ৰাজ্যই এখন খাদ্যমেলাৰ আয়োজন কৰিছে। খাদ্যমেলাৰ পূব প্ৰান্তত পাচলিৰে এখন প্ৰৱেশ দুৱাৰ সাজিছে। মেলাত দেশৰ বিভিন্ন ৰাজ্যই অংশ গ্ৰহণ কৰিছে। মেলাৰ মানুহবোৰে বিভিন্ন ধৰণৰ খাদ্য-সামগ্ৰী কিনিছে। অন্য ৰাজ্যৰ পৰা অহা মানুহবোৰে অসমৰ থলুৱা খাদ্যবোৰৰ জুতি লৈছে।

**কাৰ্য নং-১৯**

কওঁ আৰু লিখোঁ আহা —

ক) আমাৰ ৰাজ্যই কি মেলাৰ আয়োজন কৰিছে?

উত্তৰ ঃ.........................................................................

খ) খাদ্যমেলাৰ প্ৰৱেশ দুৱাৰখন কিহেৰে সাজিছে?

উত্তৰ ঃ.........................................................................

গ) আমাৰ ৰাজ্যখনৰ নাম কি ?

উত্তৰ ঃ.........................................................................

**কাৰ্য নং-২০**

অতিৰিক্ত কাৰ্য

.....................

নির্দেশনা ঃ-

- শিক্ষকে 'প্ত' আৰু 'ক্ত' যুক্তাক্ষৰ দুটা বুজাই পৰিচিত কৰিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

প্ত, ক্ত

**কাৰ্য নং-১**

পঢ়োঁ আৰু গাওঁ আহা—

**শব্দাৱলী**

ডেউকা, মুক্তমনে, আহাৰ, সজা, ডাল, সুৰদী, অসহায় কিৰিলি পৰা



ডেউকা মেলি চৰাইবোৰে
আকাশত মুক্তমনে উৰে,
আহাৰ বিচাৰি সিহঁতে
ইফালে-সিফালে ঘূৰে।
গছৰ ডালত কিৰিলি পাৰি
সুৰদী গীত জুৰে,
নাচি-বাগি আনন্দেৰে,
গছে-গছে ফুৰে।
সজাত থকা চৰাইবোৰে
বৰ দুখ কৰে,
উৰিব নোৱাৰি সজাতে
অসহায় হৈ পৰে।

**কাৰ্য নং-২**

কথা পাতোঁ আহা —

ক) আহাৰ বিচাৰি চৰাইবোৰে কি কৰে?
খ) সজাত থকা চৰাইবোৰে উৰিব নোৱাৰি কি কৰে?
গ) নাচি-বাগি চৰাইবোৰে কি কৰে?

**কাৰ্য নং-৩**

পদ্যটোৰ পৰা শেষ ধ্বনিৰ মিল থকা শব্দ উলিয়াই লিখোঁ আহা—

কৰে → ☐ → ☐ → ☐ → ☐

..................

সপ্তাহ-১৯
দিন- ২
DD/MM/YYYY

অনুশীলনী

নিৰ্দেশনা ঃ-
- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-৪**

**কওঁ আৰু লিখোঁ আহা—**

ক) ডেউকা মেলি চৰাইবোৰে কি কৰে?
উত্তৰ ঃ ..........................................................................................

খ) গছৰ ডালত চৰাইবোৰে কি কৰে?
উত্তৰ ঃ ..........................................................................................

গ) কোনবোৰ চৰায়ে দুখ কৰে?
উত্তৰ ঃ ..........................................................................................

**কাৰ্য নং-৫**

**কথা পাতোঁ আহা—**

চৰাইৰ দৰে তোমাৰ ডেউকা থাকিলে কি কৰিলাহেঁতেন?

**কাৰ্য নং-৬**

**ঘেৰত থকা আখৰ লগ ললাই শব্দ লিখোঁ আহা—**

মু, আ, বি, ৰ, ন্দ, ন, ক্ত

..........................................................................................

..........................................................................................

**কাৰ্য নং-৭**

**শ্ৰুতলিপি—**

..........................................................................................

..........................................................................................

..................

সপ্তাহ-১৯
দিন- ৩
DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

### কাৰ্য নং-৮

**পঢ়োঁ আহা—**

**শব্দাৱলী**

চিৰিয়াখানা, সপ্তাহ
মটৰগাড়ী, চালক

ৰিজু, নিহাৰিকা আৰু ৰিনি বাছত বহিছে। সিহঁত আজি চিৰিয়াখানা চাবলৈ যাব। চালক মামাই সকলোকে ভালদৰে বহিবলৈ ক'লে। ছাৰ-বাইদেউ সকলেও বাছত বহিল। গাড়ীত সকলোৱে গীত গাই গাই চিৰিয়াখানালৈ গ'ল। অহা সপ্তাহত তেওঁলোকে বনভোজ খাবলৈ যাব।




### কাৰ্য নং-৯

**কথা পাতোঁ আহা —**

ক) ৰিনিহঁত ক'লৈ যাব?
খ) সিহঁতৰ লগত আৰু কোন কোন গৈছে?
গ) গাড়ীত সকলোৱে কেনেদৰে গৈছিল?

### কাৰ্য নং-১০

**লিখোঁ আহা—**

তুমি ফুৰিবলৈ যোৱা দুখন ঠাইৰ নাম লিখা।

........................................................ ........................................................

..................

সপ্তাহ-১৯
দিন- ৪
DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-১১

**লিখোঁ আহা—**

ক) ৰিজু, নিহাৰিকা আৰু ৰিনি ক'ত বহিছে?

উত্তৰ ঃ ..........................................................................................

খ) ৰিনিহঁত ক'লৈ যাব ওলাইছে?

উত্তৰ ঃ ..........................................................................................

গ) অহা সপ্তাহত তেওঁলোক ক'লৈ যাব?

উত্তৰ ঃ ..........................................................................................

### কাৰ্য নং-১২W

**কথা পাতোঁ আহা —**

চিৰিয়াখানাত কি কি থাকে?

### কাৰ্য নং-১৩

**খেলি-মেলিকৈ থকা শব্দবোৰ সজাই শুদ্ধ বাক্য গঠন কৰি লিখোঁ আহা—**

ক) আছে চিৰিয়াখানা গুৱাহাটীত এখন।

..........................................................................................

খ) উৰিছে চৰাইবোৰে মেলি ডেউকা।

..........................................................................................

### কাৰ্য নং-১৪

**বনভোজৰ বিষয়ে দুশাৰী বাক্য লিখোঁ আহা—**

..........................................................................................

..........................................................................................

..................

**নির্দেশনা ঃ-**

- শিক্ষাৰ্থীয়ে দফাটোৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ টা শব্দৰ দুটা সহজ বাক্য দিব।

## কাৰ্য নং-১৫

পঢ়া—

দিচাং নৈত মানুহ জুম খাইছে। সকলোৱে মিলিজুলি মাছ ধৰিছে। ৰক্তিমে জাকৈ, খালৈ লৈ মাছ মাৰি আছে। দীপ্তিয়ে মাছ ধৰা চাইছে।

/২০

## কাৰ্য নং-১৬

লিখা—

/২

ক) মানুহবোৰ কিয় জুম খাইছিল?

উত্তৰ ঃ.................................................................................

খ) কোনে জাকৈ আৰু খালৈ লৈ মাছ মাৰিছে?

উত্তৰ ঃ.................................................................................

## কাৰ্য নং-১৭

শ্ৰুতলিপি —

.................................................................................................

.................................................................................................

সপ্তাহ-১৯
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-
- শিক্ষাৰ্থীয়ে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১৮**

পঢ়োঁ আহা—

**শব্দাৱলী**

পাহাৰ, সপ্তাহ, শক্তি
সচেতন, শৰীৰ

ৰামুহঁতৰ ঘৰৰ কাষত এখন পাহাৰ আছে। পাহাৰখন বৰ ওখ। সপ্তাহৰ শেষৰ দিনটোত সি পাহাৰলৈ ফুৰিবলৈ যায়। পাহাৰখন তাৰ বৰ ভাল লাগে। ডাঙৰ হ'লে সি পাহাৰ বগাবলৈ শিকিব। পাহাৰ বগাবলৈ বহুত শক্তি লাগে। সি এতিয়াৰে পৰাই শৰীৰৰ প্ৰতি সচেতন।

**কাৰ্য নং-১৯**

কওঁ আৰু লিখোঁ আহা —

ক) ৰামুহঁতৰ ঘৰৰ কাষত কি আছে?
উত্তৰ ঃ ..........................................................................................

খ) ৰামুৱে কোনদিনা পাহাৰলৈ ফুৰিবলৈ যায়?
উত্তৰ ঃ ..........................................................................................

গ) ডাঙৰ হ'লে ৰামুৰ কি শিকিবলৈ মন?
উত্তৰ ঃ ..........................................................................................

**কাৰ্য নং-২০**

অতিৰিক্ত কাৰ্য

পুনৰালোচনা

**নিৰ্দেশনা ঃ-**

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপ সমূহ কৰাব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীয়ে আগতে শিকি অহা ৬-৭ টা শব্দৰ দুটা বাক্যৰ শ্ৰুতলিপি দিব।

### কাৰ্য নং-১

**তলৰ শব্দসমূহৰ পৰা একে যুক্তাক্ষৰযুক্ত শব্দবোৰ বাছি উলিয়াই কওঁ আৰু লিখোঁ আহা—**

নন্দন ইন্ধন আনন্দ নন্দিতা

অন্ধকাৰ বন্দনা সন্ধিয়া বন্ধ

ন্দ .................... .................... ....................

ন্ধ .................... .................... ....................

### কাৰ্য নং-২

**তলৰ আখৰ-জালখনৰ পৰা শব্দ সাজি লিখোঁ আহা —**

| | | | |
|---|---|---|---|
| অ | জ | গ | ৰ |
| আ | ন | ন্দ | জা |
| ই | আ | ঢো | নৌ |
| তা | মো | ল | কা |

.................................... ....................................

.................................... ....................................

### কাৰ্য নং-৩

**তলৰ বাকচটোৰ পৰা উপযুক্ত শব্দ বাছি উলিয়াই খালী ঠাই পূৰ কৰোঁ আহা —**

ক) ৰীতা আৰু গীতা ভাল বান্ধৱী।

খ) খেলত জিকি তাই বৰ .......................... পালে।

গ) পোহৰ নাথাকিলে .................................. হয়।

ঘ) তাইক কাপোৰযোৰেৰে ...................... লাগিছে।

বান্ধৱী,
অন্ধকাৰ,
আনন্দ, সুন্দৰ

### কাৰ্য নং-৪

**শ্ৰুতলিপি—**

..........................................................................................................

..........................................................................................................

....................

নিৰ্দেশনা ঃ-

● শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-৫**

খেলি-মেলিকৈ দিয়া আখৰবোৰ লগ লগাই শব্দ লিখোঁ আৰু পঢ়োঁ আহা—

ৰী, ন্ধ, বা → বান্ধৰী

ন, অ, ন্ত → ..........

হ, পো, ৰ → ..........

ন্ম, জ → ..........

জা, পূ → ..........

**কাৰ্য নং-৬**

ছবিখন চাই শুদ্ধ বাক্যটো বাছি উলিয়াই লিখোঁ আহা —

১। এইখন বন্তিৰ ছবি।

২। এইখন কিতাপৰ ছবি।



..............................................................

**কাৰ্য নং-৭**

পঢ়োঁ আহা—

বন্ধন | বৃন্দাবন | অসম | বন্দনা | অন্তৰ

অন্ন | জন্ম | অন্ধকাৰ | বিষণ্ণ

..................

সপ্তাহ-২০
দিন- ৩
DD/MM/YYYY

পুনৰালোচনা

নির্দেশনা ঃ-
● শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ ক্রিয়া-কলাপসমূহ কৰাব।

**কার্য নং-৮**
পঢ়োঁ আহা—

**শব্দাৱলী**
সপ্ত, ঘৰমুৱা, সন্ধিয়া
বন্তি, মজা

সপ্তাহত সাত দিন। সপ্ত মানে সাত। ৰবিবাৰে বিদ্যালয় বন্ধ থাকে। বন্ধৰ দিনত আমি সমনীয়াৰ লগত আনন্দেৰে খেলোঁ। অলং-দলং, লুকা-ভাকু আদি খেলবোৰ খেলি বৰ মজা লাগে। গধূলি আমি সকলোৱে ঘৰমুৱা হওঁ। সন্ধিয়া আয়ে থাপনাত বন্তি দিয়ে। ময়ো হাত-ভৰি ধুই পঢ়িবলৈ বহোঁ।

**কার্য নং-৯**
কথা পাতোঁ আহা —

ক) সপ্তাহত কিমান দিন?
খ) থাপনাত কোনে বন্তি দিয়ে?
গ) সমনীয়াৰ লগত তোমালোকে কি কি খেলা?

**কার্য নং-১০**
শব্দগঠন কৰি লিখোঁ আৰু পঢ়োঁ আহা—

ব → ন্তি → ..........
ব → সন্ত → ..........
আ → প্ত → ..........
আ → সন্ন → ..........

**কার্য নং-১১**
তলৰ শব্দটোৰে এটা বাক্য লিখোঁ আহা —

খেল ..........................................................................................

সপ্তাহ-২০

দিন- ৪

DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-

- শিক্ষকে পুনৰ অনুশীলনৰ বাবে তলৰ কাৰ্যবোৰ কৰাব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন স্তৰৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১২**

**খেলি-মেলিকৈ দিয়া আখৰবোৰৰ লগ লগাই শব্দ কওঁ আৰু লিখোঁ আহা—**

| | | | |
|---|---|---|---|
| য়া, ন্ধি, স | সা, হ, ন্দ | ন্ম, ত, য় | ৰ, হ, পো |
| সন্ধিয়া | | | |

| | | |
|---|---|---|
| তি, ন্ন, উ | প্ত, অ, নু, ত | অ, কা, ৰ, ন্ধ |
| | | |

**কাৰ্য নং-১৩W**

**ঘেৰৰ পৰা উপযুক্ত সমাৰ্থক শব্দ বাছি লিখোঁ আহা—**

শেষ, গগণ, ফচল

অন্ত ঃ শেষ..........

আকাশ ঃ ..............................................

শস্য ঃ ..............................................

**কাৰ্য নং-১৪**

**শব্দবোৰ পঢ়োঁ আহা—**

| | | | | |
|---|---|---|---|---|
| নন্দন | বস্তি | উন্নতি | জন্ম | ফুটবল |
| বন্ধ | শক্তি | সপ্তাহ | ইন্ধন | বাদ্য |

**কাৰ্য নং-১৫**

**অতিৰিক্ত কাৰ্য—**

....................

সপ্তাহ-২১
দিন- ১
DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে 'ও', 'ল্ল' যুক্তাক্ষৰ দুটা কৰাব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলৰ দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

ও, ল্ল

**কাৰ্য নং-১**

পঢ়োঁ আহা—

**শব্দাৱলী**

দগাপাল্লা, ৰসগোল্লা, চিত্ত
অংশ, গ্ৰাহক, উত্তম



এইখন চিত্ত ভৰালীৰ দোকান। চিত্তই আনন্দ মনেৰে দোকান চলায়। তেওঁ সকলো গ্ৰাহককে সন্মান কৰে। চিত্তই দোকানৰ পৰা পোৱা লাভৰ অংশৰে নিজৰ পৰিয়াল পোহ-পাল দিছে। যোৱাবছৰ তেওঁ দিল্লীলৈ গৈছিল। তাত তেওঁ লালকিল্লা চাবলৈ গৈছিল। দিল্লীৰ পৰা ঘূৰি আহোঁতে বহুত ৰসগোল্লা আনিছিল।

**কাৰ্য নং-২**

কথা পাতোঁ আহা —

ক) দোকানীজনৰ নাম কি?

খ) তেওঁ দিল্লীত কি চাবলৈ গৈছিল?

গ) তেওঁ দিল্লীৰ পৰা আহোঁতে কি আনিছিল?

**কাৰ্য নং-৩**

হাতৰ আখৰ লিখোঁ আহা—

**ভাৰতৰ উত্তৰ দিশত হিমালয় পৰ্বত আছে।**

.......................................................................................................

.......................................................................................................

.....................

সপ্তাহ-২১

দিন- ২

DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

কাৰ্য নং-৪

**কওঁ আৰু লিখোঁ আহা—**

(ক) দোকানীজনৰ নাম কি?

উত্তৰ ঃ.............................................................................

(খ) লালকিল্লা ক'ত আছে?

উত্তৰ ঃ.............................................................................

(গ) তেওঁ দিল্লীৰ পৰা ঘূৰি আহোঁতে কি আনিছিল?

উত্তৰ ঃ.............................................................................

কাৰ্য নং-৫

**কথা পাতোঁ আহা—**

তুমি কোনবোৰ খাদ্য খাই বেছি ভাল পোৱা?

কাৰ্য নং-৬

**খেলি-মেলিকৈ থকা শব্দবোৰ সজাই শুদ্ধ বাক্য গঠন কৰি লিখোঁ আহা—**

হয় উদয় পূব দিশত সূৰ্য।

.............................................................................

কাৰ্য নং-৭

**শ্ৰুতলিপি—**

.............................................................................

.............................................................................

..................

সপ্তাহ-২১
দিন- ৩
DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

### কাৰ্য নং-৮

**পঢ়োঁ আহা—**

**শব্দাৱলী**

দিল্লী, আগ্ৰা, লালকিল্লা, উত্তোলন, মুক্তভাৱে





দিল্লী ভাৰতৰ ৰাজধানী। যোৱা বছৰ উত্তৰাই দিল্লীলৈ গৈছিল। তাই লালকিল্লাত পতাকা উত্তোলন কৰা চাইছিল। দিল্লীৰ পথবোৰত অনবৰতে মটৰ গাড়ী অহা-যোৱা কৰে। দিল্লীৰ ৰাজপথত মুক্তভাৱে চলা-ফুৰা কৰাটো টান। তাজমহল চাবলৈ তাই দিল্লীৰ পৰা আগ্ৰালৈ গৈছিল। তাজমহল চাই তাই বৰ অভিভূত হৈছিল।

### কাৰ্য নং-৯

**কথা পাতোঁ আহা —**

(ক) ভাৰতৰ ৰাজধানী কি?

(খ) উত্তৰাই দিল্লীৰ ক'ত পতাকা উত্তোলন কৰা চাইছিল?

(গ) তাই আগ্ৰাত কি চাইছিল?

(ঘ) তুমি মা-দেউতাৰ লগত ক'ৰবালৈ ফুৰিবলৈ গৈ পাইছানে?

### কাৰ্য নং-১০

**তলত দিয়া ছবিখনৰ বিষয়ে দুটা বাক্য লিখোঁ আহা—**



...........................................................................................

...........................................................................................

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-১১

**কওঁ আৰু লিখোঁ আহা—**

ক) দিল্লীলৈ কোন গৈছিল?

উত্তৰ ঃ ..........

খ) উত্তৰাই লালকিল্লাত কি চাইছিল?

উত্তৰ ঃ ..........

গ) উত্তৰাই কি চাই বৰ অভিভূত হৈছিল?

উত্তৰ ঃ ..........

### কাৰ্য নং-১২W

**কথা পাতোঁ আহা —**

তুমি দিল্লীলৈ গ'লে কি কি চাবা?

### কাৰ্য নং-১৩

**উপযুক্ত আখৰ ব্যৱহাৰ কৰি শব্দ গঠন কৰোঁ আহা—**

| | | | | | |
|---|---|---|---|---|---|
| আন | প্ত/ন্দ | → আনন্দ | উ | ত্ত/ক্ত | → |
| দি | ল্লী/ত্ত | → | সাম | গ্ৰী/ন্দ | → |

### কাৰ্য নং-১৪

**শ্ৰুতলিপি—**

..........

..........

**নির্দেশনা ঃ-**

- শিক্ষাৰ্থীয়ে দফাটোৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰবাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ৬-৭ টা শব্দৰ সহজ বাক্য দিব।

**কাৰ্য নং-১৫**

/৪০

**পঢ়া—**

ৰংপিহঁতৰ ওচৰত খেতিপথাৰ আছে। ধান খেতিৰ বতৰ। খুৰাই পথাৰত হাল বাই আছিল। শালিকা, কেঁচু আৰু বগলী আদি চৰাইৰে পথাৰখন ভৰি পৰিছিল। হাল বাওঁতে মাটিৰ পৰা ওলোৱা কেঁচু, পোক আদি ধৰি খাবলৈ চৰাইবোৰে ভিৰ কৰিছে। দূৰৈৰ পৰা ৰংপিহঁতে চৰাইবোৰক চাই আছিল।

**কাৰ্য নং-১৬**

/৩

**উত্তৰ লিখা ঃ**

ক) পথাৰত কোনে হাল বাই আছিল?

উত্তৰ ঃ.........................................................................................

খ) কি কি চৰাইয়ে পোক-পৰুৱাবোৰ খাই আছিল?

উত্তৰ ঃ.........................................................................................

গ) ৰংপিহঁতে কি কৰি আছিল?

উত্তৰ ঃ.........................................................................................

**কাৰ্য নং-১৭**

/২

**তোমাৰ মতে ঘৰটোৰ চৌপাশে আৰু কি কি ছবি সংযোগ কৰিলে এখন ধুনীয়া প্ৰাকৃতিক দৃশ্য হ'ব দুটা বাক্যত লিখা—**



..........................................................................................

..........................................................................................

নিদানমূলক

**নিৰ্দেশনা ঃ-**

- শিক্ষাৰ্থীয়ে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।
- পাঠ্যপুথিৰ ৪১, ১০২ নং পৃষ্ঠাৰ 'পঢ়োঁ আহা' কাৰ্য কৰাব।

### কাৰ্য নং-১৮

**পঢ়োঁ আহা—**

মল্লিকা পুৱা শুই উঠি ফুৰিবলৈ গৈছিল। তেনেতে তাই ককাককো খোজকাঢ়ি থকা দেখিলে। ককাকে তাইক সূৰ্যৰ পিনে মুখ কৰি হাতমেলি থিয় হ'বলৈ দিলে। তাইৰ সন্মুখৰ ফালে পূব আৰু পিছফালে পশ্চিম দিশ হ'ব বুলি ক'লে। বাওঁহাতে উত্তৰ আৰু সোঁহাতে দক্ষিণ হ'ব বুলিও বুজাই দিলে।

### কাৰ্য নং-১৯

**কওঁ আৰু লিখোঁ আহা —**

ক) ককাকে মল্লিকাক কোন পিনে মুখ কৰি থিয় হ'বলৈ দিছিল?

উত্তৰ ঃ..................................................................

খ) ফুৰিবলৈ গৈ মল্লিকাই কাক খোজকাঢ়ি থকা দেখিলে?

উত্তৰ ঃ..................................................................

### কাৰ্য নং-২০

**পাঠ্যপুথিৰ ৪১ নং পৃষ্ঠাৰ 'পঢ়োঁ আহা' কাৰ্য কৰোঁ আহা—**

### কাৰ্য নং-২১

**পাঠ্যপুথিৰ ১০২ নং পৃষ্ঠাৰ পাঠটো পঢ়োঁ আহা।**

### কাৰ্য নং-২২

**অতিৰিক্ত কাৰ্য**

সপ্তাহ-২২
দিন- ১
DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে 'স্ব' আৰু 'স্ত' যুক্তাক্ষৰ দুটা বুজাই দিব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলৰ দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

স্ব, স্ত

**কাৰ্য নং-১**

**পঢ়োঁ আহা —**

**শব্দাৱলী**

মিলিজুলি, এজোপা, ৰাস্তা
ৰুই, জাবৰ-জোঁথৰ



ৰাস্তাৰ কাষত এজোপা গছ আছিল। গছজোপাই ৰাস্তাটোৰে মানুহ, মটৰগাড়ী অহা-যোৱা কৰা চাই আছিল। গছজোপাই মনে মনে ভাবি থাকে -'মই যদি গাড়ী হলোহেতেঁন দূৰলৈ গৈ সকলো চাই আহিব পাৰিলোহেঁতেন। সৰু সৰু গছবোৰক গাড়ীত উঠাই লৈ পাহাৰৰ কাষত ৰুই দিব পাৰিলোহেঁতেন। ৰাস্তাত পৰি থকা জাবৰ-জোঁথৰবোৰ উঠাই লৈ দূৰৈত পেলাই দিলোহেঁতেন। তেতিয়া মানুহৰ লগত বেছিকৈ মিলিজুলি থাকিব পাৰিলোহেঁতেন।'

**কাৰ্য নং-২**

**কথা পাতোঁ আহা —**

ক) গছজোপা ক'ত আছিল?
খ) গছজোপাই মনে-মনে কি ভাবি আছিল?
গ) গছজোপাই ৰাস্তাত পৰি থকা জাবৰ-জোঁথৰবোৰৰ বিষয়ে কি ভাবিছে?

**কাৰ্য নং-৩**

**খেলি-মেলিকৈ থকা শব্দবোৰ সজাই শুদ্ধ বাক্য গঠন কৰোঁ আহা—**

পেলাব জাবৰ-জোঁথৰ ৰাস্তাত নালাগে।

..........................................................................................

..................

সপ্তাহ-২২
দিন- ২
DD/MM/YYYY

অনুশীলনী

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

কাৰ্য নং-৪

লিখোঁ আহা —

ক) গছজোপাই কি চাই আছিল?

উত্তৰ ঃ......................................................................................................................

খ) গছজোপাৰ কি হ'বলৈ মন গৈছিল?

উত্তৰ ঃ......................................................................................................................

গ) সৰু সৰু গছবোৰক কি কৰিলেহেঁতেন?

উত্তৰ ঃ......................................................................................................................

কাৰ্য নং-৫

কথা পাতোঁ আহা -

তুমি যদি চৰাই হ'লাহেঁতেন, কি কৰিলাহেঁতেন?

কাৰ্য নং-৬

ঘেৰৰ পৰা আখৰ লৈ শব্দ পূৰ কৰোঁ আহা -

ল্লি, গা, স্তা, স্ব

ম............ কা, ৰা............, ............ড়ী, ..............ভাৱ

কাৰ্য নং-৭

ছবিখন চাই দুটা বাক্য সাজি লিখোঁ আহা—



........................................................................................

........................................................................................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

---

**কাৰ্য নং-৮**

পঢ়োঁ আহা—



আলফুলে ফেঁকুৰিছে আধাভগা ৰাস্তাত,
মাকে পায়ো নিকিনিলে পুতলাটো সস্তাত।
পুতুকনে মাটি কাটি ভৰাইছে বস্তাত,
তাকে দেখি কুকুৰে ভৌ-ভৌৱাইছে ৰাস্তাত।

স্বাগত ভাল ল'ৰা, স্বভাৱতো শান্ত,
পঢ়া-শুনাৰ লগতে তাৰ খেলৰো নাই অন্ত।
সদায় গধূলি সি পঢ়া-শুনা কৰে,
পঢ়াৰ পাছত সি কিতাপ-পত্ৰ সামৰে।

**শব্দাৱলী**

আলফুল, ফেঁকুৰা, অন্ত
শান্ত, স্বভাৱ, সস্তা

**কাৰ্য নং-৯**

কথা পাতোঁ আহা —

ক) পুতুকনে বস্তাত কি ভৰাইছে?

খ) স্বাগতে পঢ়া-শুনাৰ লগতে আৰু কি কৰে?

গ) আলফুলে ৰাস্তাত কিয় ফেঁকুৰিছে?

**কাৰ্য নং-১০**

লিখোঁ আহা —

প্ৰিয় ফুল এবিধৰ বিষয়ে দুশাৰী বাক্য লিখোঁ আহা—

.....................................................................................................................

.....................................................................................................................

**কাৰ্য নং-১১**

শব্দটোৰ পৰা শেষৰ ধ্বনিৰ মিল থকা শব্দ উলিয়াই লিখোঁ আহা —

ৰাস্তা → ........ → ........

সপ্তাহ-২২
দিন- ৪
DD/MM/YYYY

অনুশীলনী

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।
- পাঠ্যপুথিৰ ৭৮ নং পৃষ্ঠাত থকা 'পঢ়োঁ আহা' কাৰ্যটোৰ বাক্যকেইটা পঢ়িব দিব।

কাৰ্য নং-১২

লিখোঁ আহা —

ক) স্বাগত কেনেকুৱা স্বভাৱৰ ল'ৰা?

উত্তৰ ঃ ..............................................................................................

খ) সি সদায় গধূলি কি কৰে?

উত্তৰ ঃ ..............................................................................................

গ) কোনে মাটি কাটি বস্তাত ভৰাইছে?

উত্তৰ ঃ ..............................................................................................

কাৰ্য নং-১৩

লিখোঁ আহা—

তুমি গধূলি কি কি কৰা?

উত্তৰ ঃ ..............................................................................................

..............................................................................................

কাৰ্য নং-১৪

পাঠ্যপুথিৰ ৭৮ নং পৃষ্ঠাত থকা 'পঢ়োঁ আহা' কাৰ্যটোৰ বাক্যকেইটা পঢ়োঁ আহা—

কাৰ্য নং-১৫

শ্ৰুতলিপি—

..............................................................................................

..............................................................................................

..................

সপ্তাহ-২২
দিন- ৫
DD/MM/YYYY

মূল্যায়ন

**নির্দেশনা ঃ-**

- শিক্ষাৰ্থীয়ে দফাটোৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৬**

পঢ়া—

/ ৪০

এখন হাবিত এটা খঙাল হাতী আছিল। হাতীটোৰ কোনো বন্ধু নাছিল। সি এদিনাখন সখি পাতিবলৈ এটা বান্দৰৰ ওচৰলৈ গ'ল। বান্দৰে সখি পাতিব খোজাৰ কথা গম পাই ক'লে — 'তুমি যদি মোৰ দৰে গছে-গছে জপিয়াই ফুৰিব পাৰিলাহেঁতেন, তেন্তে তোমাৰ সৈতে মই সখি পাতিলোহেঁতেন।'

**কাৰ্য নং-১৭**

লিখা—

/ ৩

ক) হাতীটো কি স্বভাৱৰ আছিল?

উত্তৰ ঃ ..........................................................................

খ) সখি পাতিবলৈ হাতীয়ে কাৰ ওচৰলৈ গ'ল?

উত্তৰ ঃ..........................................................................

গ) বান্দৰে ক'ত জপিয়াই ফুৰে?

উত্তৰ ঃ..........................................................................

**কাৰ্য নং-১৮**

তলত দিয়া শব্দবোৰেৰে একোটাকৈ বাক্য গঠন কৰা—

/ ২

সস্তা ..........................................................................................

স্বদেশ ..........................................................................................

....................

নির্দেশনা ঃ-

- শিক্ষাৰ্থীয়ে নিজে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৯

**পঢ়োঁ আহা —**

আজি ভাৰতৰ স্বাধীনতা দিৱস। পুৰন্দৰে ৰাতিপুৱা ককাকৰ লগত স্বাধীনতা দিৱস উদ্‌যাপন কৰিবলৈ গৈছিল। ককাকে ৰাস্তাত তাক নানান কথা কৈছিল। তাক স্বাধীনতা দিৱসৰ বিষয়ে বুজাইছিল। মুক্তি যুঁজাৰুসকলে দেশৰ স্বাধীনতাৰ বাবে কৰা সংগ্ৰামৰ কথা কৈছিল। বহুতো মুক্তিযুঁজাৰুয়ে দেশৰ স্বাধীনতাৰ বাবে প্ৰাণ আহুতি দিছিল।

### কাৰ্য নং-২০

**কওঁ আৰু লিখোঁ আহা—**

ক) ককাকৰ লগত পুৰন্দৰ ক'লৈ গৈছিল?

উত্তৰ ঃ ..........................................................................................

খ) কোনে দেশৰ স্বাধীনতাৰ বাবে প্ৰাণ আহুতি দিছিল?

উত্তৰ ঃ ..........................................................................................

গ) ককাকে পুৰন্দৰক ৰাস্তাত কিহৰ বিষয়ে বুজাইছিল?

উত্তৰ ঃ ..........................................................................................

### কাৰ্য নং-২১

**অতিৰিক্ত কাৰ্য—**

সপ্তাহ-২৩

দিন- ১

DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে 'শ্ন', 'শ্চ' যুক্তাক্ষৰ দুটা বুজাব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

**শ্ন, শ্চ**

### কাৰ্য নং-১

**পঢ়োঁ আৰু গাওঁ আহা—**

**শব্দাৱলী**

পাখি, ঘূৰি, আধাফুলা, জক্‌মক্, উলাহতে



পখিলাই পাখি মেলি
নাচে উৰি উৰি,
আধাফুলা কলিটিক
চায় ঘূৰি ঘূৰি।
একেলগে খেলোঁ বুলি
কলিটিক ক'লে,
ভাল পাই কলিটিয়ে
পাহি মেলি দিলে।
পাহি মেলি কলিটিয়ে
জক্‌মক্ কৰে,
উলাহতে পখিলাৰ
মন ভৰি পৰে।

### কাৰ্য নং-২

**কথা পাতোঁ আহা —**

ক) পাখি মেলি পখিলাই কি কৰিছে?
খ) পখিলাই একেলগে খেলোঁ বুলি কাক কৈছিল?
গ) কোনে পাহি মেলি দিলে?
ঘ) পখিলাৰ উপৰি আৰু কি কি পতংগ ফুলত পৰে?

### কাৰ্য নং-৩

**পদ্যটোত শেষৰ ধ্বনি মিল থকা শব্দ লিখোঁ আহা —**

উৰি ঃ ঘূৰি..............., ক'লে ঃ ..............., কৰে ঃ ...............

### কাৰ্য নং-৪

**পাঠ্যপুথিৰ পৃ- ২৮ ত থকা পখিলাটোৰ ছবিখনত ৰং বোলাওঁ আহা —**

..................

সপ্তাহ-২৩
দিন- ২
DD/MM/YYYY

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি আহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

কাৰ্য নং-৫

লিখোঁ আহা —

(ক) আধাফুলা কলিটিক কোনে ঘূৰি ঘূৰি চাইছে?

উত্তৰ ঃ.................................................................................

(খ) পখিলাৰ কথাত ভাল পাই কলিটিয়ে কি কৰিলে?

উত্তৰ ঃ.................................................................................

(গ) পখিলা উৰে, চৰাই উৰে আৰু কি কি প্ৰাণী উৰিব পাৰে? চাৰিটাৰ নাম কওঁ আৰু লিখোঁ আহা।

উত্তৰ ঃ.................................................................................

কাৰ্য নং-৬

বাকচৰ পৰা একে অৰ্থৰ শব্দ বিচাৰি লিখোঁ আহা —

দুৱাৰ ঃ ................................
সাপ ঃ ................................
তুলাচনী ঃ ................................
বছৰ ঃ ................................
সোণ ঃ ................................

বৰ্ষ, দৰ্জা, সৰ্প, তৰ্জু, সুৱৰ্ণ

কাৰ্য নং-৭

পঢ়োঁ আহা —

প্ৰশ্ন | পশ্চিম | নিশ্চয় | পাশ্চাত্য | নিশ্চল | স্বাধীন
তন্ময় | উন্নতি | স্বভাৱ | প্ৰশ্নাৱলী | প্ৰশ্নোত্তৰ

কাৰ্য নং-৮

লিখোঁ আহা —

শ্চ .................. .................. .................. ..................

শ্ন .................. .................. .................. ..................

..................

সপ্তাহ-২৩
দিন- ৩
DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

**কাৰ্য নং-৯**

**পঢ়োঁ আহা—**

**শব্দাৱলী**

কুইজ, প্ৰতিযোগিতা, প্ৰশ্ন, বিজয়ী, অনুসৰি, জাগৃতি



বৰমপুৰ প্ৰাথমিক বিদ্যালয়ত বিদ্যালয় সপ্তাহ চলি আছে। বিদ্যালয়ত কুইজ প্ৰতিযোগিতা পাতিছে। কুইজত ভাগ ল'বলৈ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দল গঠন কৰিছে। দলবোৰক ৰছিদ ছাৰে নিয়মবোৰ জনাই দিলে। ৰছিদ ছাৰে প্ৰশ্নবোৰ নিজে প্ৰস্তুত কৰিছে। তেওঁ প্ৰতিটো দলতে ক্ৰম অনুসৰি প্ৰশ্নবোৰ সুধি গ'ল। প্ৰতিটো দলেই প্ৰশ্নবোৰৰ উত্তৰ দি গ'ল। প্ৰথম পৰ্যায়ৰ পিছত দলবোৰে সমান সমান নম্বৰ পালে। শেষৰ পৰ্যায়ত জাগৃতিহঁতৰ দলটো প্ৰথম হ'ল।

**কাৰ্য নং-১০**

**কথা পাতোঁ আহা —**

ক) বৰমপুৰ প্ৰাথমিক বিদ্যালয়ত কি চলি আছে?
খ) বিদ্যালয়ত কি প্ৰতিযোগিতা পাতিছে?
গ) কুইজ প্ৰতিযোগিতাত কাৰ দলটো প্ৰথম হ'ল?

**কাৰ্য নং-১১**

**ছবিখনৰ বিষয়ে দুশাৰী বাক্য লিখোঁ আহা —**



..........................................................................................

..........................................................................................

..................

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-১২

**উত্তৰ কওঁ আৰু লিখোঁ আহা —**

ক) কোন ছাৰে কুইজ প্ৰতিযোগিতাৰ প্ৰশ্নবোৰ প্ৰস্তুত কৰিছিল?

উত্তৰ ঃ ........................................................................................................................

খ) প্ৰতিযোগিতাত ভাগ ল'বলৈ কোনে বিভিন্ন দল গঠন কৰিছে?

উত্তৰ ঃ ........................................................................................................................

গ) অৱশেষত কাৰ দলটো বিজয়ী হ'ল?

উত্তৰ ঃ ........................................................................................................................

### কাৰ্য নং-১৩

**লিখোঁ আহা —**

কুইজৰ বাহিৰেও আমাৰ বিদ্যালয়ত আৰু কি কি খেল-ধেমালি পতা হয় লিখোঁ আহা।

উত্তৰ ঃ ........................................................................................................................

### কাৰ্য নং-১৪

**খেলি মেলিকৈ থকা শব্দবোৰ সজাই বাক্য সাজোঁ আহা —**

বেলি যায় অস্ত পশ্চিম দিশত।

........................................................................................................................

### কাৰ্য নং-১৫

**শ্ৰুতলিপি —**

........................................................................................................................

........................................................................................................................

নিৰ্দেশনা ঃ-

- শিক্ষাৰ্থীয়ে দফাটোৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৬**

পঢ়োঁ—

৪০

এখন গভীৰ অৰণ্য আছিল। অৰণ্যখনত বহু জীৱ-জন্তুৱে বাস কৰিছিল। তাত এজাক হাতীয়েও বাস কৰিছিল। এবাৰ মনিমালা নামৰ হাতীটোৰ পানী লগা জ্বৰ হ'ল। হাতীটোৰ নাকেৰে নেৰানেপেৰাকৈ পানী ওলাবলৈ ধৰিলে। সেই পানীৰে অৰণ্যত এখন নৈ ববলৈ ধৰিলে। অৰণ্যৰ জীৱ-জন্তুবোৰৰ মাজত হাহাকাৰ লাগিল।

**কাৰ্য নং-১৭**

লিখা—

৩

ক) হাতীটোৰ নাম কি আছিল?

উত্তৰ ঃ ..............................................................................................

খ) হাতীটোৰ কি হৈছিল?

উত্তৰ ঃ ..............................................................................................

গ) হাতীটোৰ নাকেৰে নেৰানেপেৰাকৈ কি ওলাইছিল?

উত্তৰ ঃ ..............................................................................................

**কাৰ্য নং-১৮**

লিখা —

২

অৰণ্যত থকা দুটা প্ৰাণীৰ নাম লিখা।

উত্তৰ ঃ .................................... ....................................

**কাৰ্য নং-১৯**

শ্ৰুতলিপি—

..............................................................................................

..............................................................................................

**নির্দেশনা ঃ-**

- ছাত্র-ছাত্রীয়ে নিজে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-২০

**পঢ়োঁ আহা—**

**শব্দাৱলী**

কৌতুহল, বেটাৰী, স্বভাৱ, অৱশ্যে পশ্চিম

মালা বৰ কৌতুহলী ছোৱালী। প্ৰতিটো কথাতে প্ৰশ্ন সুধি তাই মনৰ কৌতুহল দূৰ কৰে। এই স্বভাৱৰ বাবে অৱশ্যে দেউতাকে তাইক বৰ মৰম কৰে। দেউতাকে তাইলৈ এটা পুতলা আনিছে। 'ক'ৰ পৰা আনিলা দেউতা?' - তাই সুধিলে। দেউতাকে ক'লে—'বিদ্যালয়ৰ পশ্চিমফালে যে ৰামু ককাৰ দোকান আছে, তাৰ পৰাই আনিলোঁ।' তাই পুতলাটো মৰমেৰে সাৱটি ল'লে। বেটাৰী লগালে তাইৰ পুতলাটোৱে ধুনীয়াকৈ নাচে।

### কাৰ্য নং-২১

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) মালা কেনেকুৱা স্বভাৱৰ ছোৱালী?

উত্তৰ ঃ ..............................................................................................................

খ) দেউতাকে পুতলাটো ক'ৰ পৰা আনিছিল?

উত্তৰ ঃ ..............................................................................................................

গ) বেটাৰী লগালে পুতলাটোৱে কি কৰে?

উত্তৰ ঃ ..............................................................................................................

### কাৰ্য নং-২২

**অতিৰিক্ত কাৰ্য—**

.....................

সপ্তাহ-২৪
দিন- ১
DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**
- শিক্ষকে 'ষ্ক', 'ষ্ট' যুক্তাক্ষৰ দুটা বুজাব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

ষ্ক, ষ্ট

**কাৰ্য নং-১**

**পঢ়োঁ আহা—**

**শব্দাৱলী**
ডাষ্টবিন, পৰিষ্কাৰ



এইখন মধুপুৰ গাওঁ। গাঁওখনৰ পূৱ মূৰৰ এফালে পৰী আৰু আনফালে জুলিৰ ঘৰ। পৰীহঁতে জাবৰ পেলাবলৈ নিয়মিতভাৱে ডাষ্টবিন ব্যৱহাৰ কৰে। জুলিহঁতে জাবৰবোৰ চোতালতে পেলায়। জুলিহঁতৰ চোতালত জাবৰবোৰৰ দম বান্ধিছে। পৰীৰ দেউতাকে ডাষ্টবিনত জাবৰ ভৰ্তি হ'লে জাবৰবোৰ গাঁতত পুতি থয়। বাৰিষা কালত জুলিহঁতৰ চোতালৰ জাবৰবোৰ পচি দুৰ্গন্ধ ওলাল। গাঁওৰ মানুহবোৰে পথটোৰে অহা-যোৱা কৰোঁতে বৰ কষ্ট পায়। গাঁওবুঢ়াই বিষয়টোৰ ওপৰত আলোচনা কৰাৰ বাবে গাঁওসভা পাতিছে। গাঁওসভাই জুলিৰ দেউতাকক জাবৰবোৰ গাতত পুতি থোৱাৰ আদেশ দিলে। সদায় পৰিষ্কাৰ হৈ থাকিলে গাওঁৰ সকলোৰেই সেই সভাতে শপত ল'লে।

**কাৰ্য নং-২**

**কথা পাতোঁ আহা —**

ক) পৰীহঁতে জাবৰ ক'ত পেলায়?
খ) জুলিহঁতৰ চোতালত কিহে দম বান্ধিছে?
গ) তোমালোকৰ ঘৰত জাবৰবোৰ ক'ত পেলোৱা?

**কাৰ্য নং-৩**

**খেলি মেলিকৈ থকা শব্দবোৰ সজাই শুদ্ধ বাক্য গঠন কৰি লিখোঁ আহা —**

পৰিষ্কাৰ আমি সদায় লাগে হৈ থাকিব।

..........................................................................................

..................

সপ্তাহ-২৪
দিন- ২
DD/MM/YYYY

অনুশীলনী

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-৪

**তলৰ প্ৰশ্নসমূহৰ উত্তৰ কওঁ আৰু লিখোঁ আহা —**

ক) পৰীহঁতৰ গাঁওখনৰ নাম কি?

উত্তৰ ঃ.......................................................................................................

খ) পৰীহঁতে জাবৰ পেলাবলৈ কি ব্যৱহাৰ কৰে?

উত্তৰ ঃ.......................................................................................................

গ) জুলিহঁতৰ ঘৰত বাৰিষা জাবৰ পচি কি হৈছিল?

উত্তৰ ঃ.......................................................................................................

### কাৰ্য নং-৫

**লিখোঁ আহা —**

তোমালোকৰ নিজৰ বিদ্যালয়খন পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখিবলৈ কি কি কৰা?

উত্তৰ ঃ.......................................................................................................

### কাৰ্য নং-৬

**পঢ়োঁ আহা —**

নিষ্কাম　আৱিষ্কাৰ　কষ্ট　অনিষ্ট　দুষ্ট

### কাৰ্য নং-৭

**শ্ৰুতলিপি—**

.......................................................................................................

.......................................................................................................

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

**কাৰ্য নং-৮**

**পঢ়োঁ আহা—**

**শব্দাৱলী**

ৰাসায়নিক, জৈৱিক, অনিষ্ট, শস্য, পুষ্টি, যথেষ্ট, দ্ৰব্য



পল্লৱৰ দেউতাক এজন খেতিয়ক। তেওঁ ৰাসায়নিক সাৰ ব্যৱহাৰ নকৰাকৈ শস্য উৎপাদন কৰে। জৈৱিক সাৰে আমাৰ অনিষ্ট নকৰে। নিৰোগী হৈ থাকিবলৈ আমি পুষ্টিকৰ খাদ্য খাব লাগে। ফল-মূল, শাক-পাচলি আদিত যথেষ্ট পৰিমাণে পুষ্টিকৰ দ্ৰব্য থাকে। বেমাৰৰ পৰা হাত সাৰি থাকিবলৈ পুষ্টিকৰ খাদ্য খোৱাৰ লগতে পৰিষ্কাৰ হৈও থাকিব লাগে। খোৱাৰ আগত আৰু শৌচ কৰাৰ পাছত চাবোনেৰে পৰিষ্কাৰকৈ হাত ধুব লাগে।

**কাৰ্য নং-৯**

**কথা পাতোঁ আহা —**

ক) কোনবিধ সাৰে আমাৰ অনিষ্ট নকৰে?

খ) ফল-মূল, শাক-পাচলি আদিত যথেষ্ট পৰিমানে কি থাকে?

গ) আমি কিয় পুষ্টিকৰ খাদ্য খাব লাগে?

**কাৰ্য নং-১০**

**তলৰ শব্দকেইটাৰে বাক্য সাজি লিখোঁ আহা —**

কষ্ট ........................................................................................................

পৰিষ্কাৰ ........................................................................................................

সপ্তাহ-২৪
দিন- ৪
DD/MM/YYYY

অনুশীলনী

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

কাৰ্য নং-১১

**কওঁ আৰু লিখোঁ আহা—**

ক) পল্লৱৰ দেউতাকে কি কাম কৰে?

উত্তৰ ঃ ...............................................................................................................

খ) নিৰোগী হৈ থাকিবলৈ আমি কেনেকুৱা খাদ্য খাব লাগে?

উত্তৰ ঃ ...............................................................................................................

গ) পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিবলৈ আমি কি কি কৰোঁ?

উত্তৰ ঃ ...............................................................................................................

কাৰ্য নং-১২

**বেমাৰৰ পৰা হাত সাৰি থাকিবলৈ আমি কি কি কৰিব লাগে লিখোঁ আহা—**

উত্তৰ ঃ ...............................................................................................

কাৰ্য নং-১৩

**খেলি মেলিকৈ থকা শব্দবোৰ সজাই বাক্য লিখোঁ আহা —**

খোৱাৰ পৰিষ্কাৰকৈ ধুব হাত লাগে আগত আমি

..........................................................................................................................

..........................................................................................................................

কাৰ্য নং-১৪

**শ্ৰুতলিপি —**

..........................................................................................................................

..........................................................................................................................

....................

সপ্তাহ-২৪
দিন- ৫
DD/MM/YYYY

মূল্যায়ন

**নির্দেশনা ঃ-**
- শিক্ষাৰ্থীয়ে দফাটোৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।

### কাৰ্য নং-১৫

৪০

**পঢ়া—**

এজনী ভাটৌ চৰাই আছিল। ভাটৌটো গছৰ খোৰোঙত বাহ সাজিছিল। বাহ সাজোঁতে তাইৰ বৰ কষ্ট হৈছিল। এতিয়া তাই বাহত শান্তিৰে থাকিব পাৰে। ৰ'দ, বৰষুণ, ধুমুহা আদিয়ে তাইৰ অনিষ্ট কৰিব নোৱাৰে। আন আন চৰাইবোৰেও বিভিন্ন ধৰণৰ বাহ সাজি থাকে। চৰাইবোৰে বাহত কণী পাৰে।

### কাৰ্য নং-১৬

৩

**উত্তৰ লিখা—**

ক) ভাটৌটোৱে ক'ত বাহ সাজিছিল?

উত্তৰ ঃ ..............................................................................

খ) বাহ সাজোতে তাইৰ কি হৈছিল?

উত্তৰ ঃ ..............................................................................

গ) সকলো চৰাইৰ বাহবোৰ একে নে?

উত্তৰ ঃ ..............................................................................

### কাৰ্য নং-১৭

২

**আমাক থাকিবলৈ কিয় ঘৰ লাগে, লিখোঁ আহা —**

উত্তৰ ঃ ..............................................................................

### কাৰ্য নং-১৮

**শ্ৰুতলিপি—**

..............................................................................

..............................................................................

....................

নিদানমূলক

**নিৰ্দেশনা ঃ-**

- ছাত্ৰ-ছাত্ৰীয়ে নিজে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

### কাৰ্য নং-১৯

**পঢ়োঁ আহা—**

পুষ্পাই দবা খেলি ভাল পায়। বিদ্যালয়ত তাই প্ৰায়ে দবা খেলে। পিছে খেলত প্ৰতিবাৰেই তাই হাৰে। এদিন সহপাঠী ৰীতাৰ লগত দবা খেলত জিকিল। তাৰ পাছত বিদ্যালয়ত হোৱা দবা খেল প্ৰতিযোগিতাতো পুষ্পা বিজয়ী হ'ল। তাই আনন্দিত মনেৰে ঘৰলৈ উভতি আহি বায়েকক ক'লে যে তাইক আৰু কোনেও খেলত হৰুৱাব নোৱাৰে। পিছে এদিন অৰ্পিতাৰ লগত খেলত বহুত চেষ্টা কৰিও জিকিব নোৱাৰিলে। তাই বৰ হতাশ হ'ল। তাইক দেখি মাকে ক'লে—'দুখ নকৰিবা। খেলত হৰা-জিকা থাকেই।' এনেতে বায়েকে ক'লে 'তুমি কি কাৰণত হাৰিছা, সেই কাৰণবোৰ জুখি চাবা। পিছলৈ তেনে কাৰণবোৰ আঁতৰাই যাবা, তেতিয়া আকৌ জিকিবা।' তেতিয়াহে তাইৰ মনটো ভাল লাগিল।

**শব্দাৱলী**

পুষ্পা
অৰ্পিতা
প্ৰতিযোগিতা
চেষ্টা

### কাৰ্য নং-২০

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

(ক) পুষ্পাই কি খেলি ভাল পায়?

উত্তৰ ঃ ..............................................................................................

(খ) এদিন পুষ্পা কিয় বৰ হতাশ হৈছিল?

উত্তৰ ঃ ..............................................................................................

(গ) তোমাৰ মন বেয়া হ'লে কি কৰা?

উত্তৰ ঃ ..............................................................................................

### কাৰ্য নং-২১

**অতিৰিক্ত কাৰ্য—**

......................

সপ্তাহ-২৫
দিন- ১
DD/MM/YYYY

অনুশীলনী

**নিৰ্দেশনা ঃ-**

- শিক্ষকে 'স্ব' 'স্প' যুক্তাক্ষৰ দুটা বুজাব আৰু শুদ্ধকৈ লিখিবলৈ শিকাব।
- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

স্ব ,স্প

**কাৰ্য নং-১**

পঢ়োঁ আহা —

**শব্দাৱলী**

নীলাচল, অসংখ্য, মুক্ত
অম্বুবাচী, সাধু-সন্যাসী,
ডম্বৰু, ভক্ত, সমাগম, পাৰ্গত



গুৱাহাটীত নীলাচল পাহাৰ আছে। নীলাচল পাহাৰত কামাখ্যা মন্দিৰ আছে। কামাখ্যা মন্দিৰ অতি বিখ্যাত। অসমীয়া আহাৰ মাহত অম্বুবাচী মেলা হয়। প্ৰতি বছৰেই নীলাচল পাহাৰত থকা কামাখ্যা মন্দিৰত এই মেলা পতা হয়। মেলাখনত অসংখ্য ভক্তৰ সমাগম হয়। অম্বুবাচীত ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগতে অন্যান্য দেশৰ পৰাও সাধু-সন্যাসীসকল আহে। সাধু-সন্যাসীসকলে বিভিন্ন ভাও লয়। শিৱৰ ভাওত সন্যাসীয়ে ডম্বৰু বজায়। সাধু-সন্যাসীসকল যোগ-ব্যায়ামত পাৰ্গত। তেওঁলোকে নিতৌ যোগ-ব্যায়াম কৰি নিজকে সুস্থ ৰাখে। যোগাসনে আমাক বেমাৰৰ পৰা মুক্ত কৰি ৰখাত সহায় কৰে।

**কাৰ্য নং-২**

কথা পাতোঁ আহা —

(ক) কোন মাহত অম্বুবাচী মেলা হয়?
(খ) সন্যাসীয়ে শিৱৰ ভাওত কি বজায়?
(গ) যোগাসনে আমাক কেনেকৈ সহায় কৰে?
(ঘ) তোমালোকে যোগাসন কৰি পাইছানে?

**কাৰ্য নং-৩**

বাকচৰ পৰা সমাৰ্থক শব্দ বাছি লিখোঁ আহা —

সদায়, পাকৈত, অসুখ, ভিন-ভিন

নিতৌ ঃ ................. বিভিন্ন ঃ .................
পাৰ্গত ঃ ................. বেমাৰ ঃ .................

....................

নির্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-৪**

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) নীলাচল পাহাৰখন ক'ত আছে?

উত্তৰ ঃ.................................................................................................

খ) কামাখ্যা মন্দিৰ ক'ত আছে?

উত্তৰ ঃ.................................................................................................

গ) আহাৰ মাহত কামাখ্যা মন্দিৰত কি মেলা হয়?

উত্তৰ ঃ.................................................................................................

**কাৰ্য নং-৫**

**লিখোঁ আহা —**

মেলালৈ গ'লে তুমি কি কি কৰা?

উত্তৰ ঃ.................................................................................................

.................................................................................................

**কাৰ্য নং-৬**

**আখৰ-জালৰ পৰা শব্দ বিচাৰি লিখোঁ আহা—**

| | | | | |
|---|---|---|---|---|
| বা | হ | শি | চি | ব |
| ঘঁ | ৰি | য়া | ল | গ |
| ম | ণা | ল | নী | লী |

................................ ................................

................................ ................................

................................ ................................

**কাৰ্য নং-৭**

**শ্ৰুতলিপি—**

.................................................................................................

.................................................................................................

নিৰ্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

**কাৰ্য নং-৮**

**পঢ়োঁ আহা—**

**শব্দাৱলী**

প্ৰাকৃতিক, পূৰ্ণ, বানপানী, সম্পদ, সমস্যা, পৰ্বত



আমাৰ ৰাজ্যখন নদ-নদী আৰু পাহাৰ-পৰ্বতেৰে ভৰা। প্ৰাকৃতিক সম্পদত ৰাজ্যখন চহকী। নদ-নদীত মাছ-কাছ, শিহু আদি পোৱা যায়। নদ-নদী থকাৰ বাবে অসমৰ খেতি-বাতি ভাল হয়। ধান, মৰাপাট, সৰিয়হ, দালি আদিৰ খেতি প্ৰচুৰ পৰিমাণে হয়। বাৰিষা কালত নদীসমূহ পানীৰে পূৰ্ণ হয়। মাজে সময়ে বানপানীও হয়। বানপানীত ৰাজ্যৰ বেছিভাগ জিলাই সমস্যাত ভোগে। বানপানীয়ে বহুত সম্পদৰ ক্ষতি কৰে। খেতি-বাতিৰ লগতে ঘৰ-বাৰী উটুৱাই নিয়ে।

**কাৰ্য নং-৯**

**কথা পাতোঁ আহা —**

ক) আমাৰ ৰাজ্যখন কিহত চহকী?
খ) কেতিয়া নদীসমূহ পানীৰে পূৰ্ণ হয়?
গ) বানপানী হ'লে কি কি দুৰ্যোগ হয়?

**কাৰ্য নং-১০**

**বাকচৰ পৰা আখৰ লৈ শব্দ পূৰ কৰোঁ আহা —**

ন্ব, স্প, ষ্ট

ভূমিক................ , ক................ল , অনি................,
ক................ন , কুসু..............ৰ , পু...............

নিৰ্দেশনা ঃ-

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-১১**

**কওঁ আৰু লিখোঁ আহা—**

ক) নদ-নদীত কি কি পোৱা যায়?

উত্তৰ ঃ ..............................................................................................

খ) আমাৰ ৰাজ্যখন কিহেৰে ভৰা?

উত্তৰ ঃ ..............................................................................................

গ) নদীসমূহ কেতিয়া পানীৰে পূৰ্ণ হয়?

উত্তৰ ঃ ..............................................................................................

**কাৰ্য নং-১২**

**লিখোঁ আহা —**

বানপানী হ'লে আমাৰ কি কি ক্ষতি হয়?

উত্তৰ ঃ ..............................................................................................

**কাৰ্য নং-১৩**

**পঢ়োঁ আহা —**

পম্পী আৰু চম্পাহঁতৰ ঘৰ মুম্বাইত।
তেওঁলোকে উৰাজাহাজেৰে অসমলৈ আহে।

**কাৰ্য নং-১৪**

**শ্ৰুতলিপি —**

..............................................................................................

..............................................................................................

নির্দেশনা ঃ-

- শিক্ষাৰ্থীয়ে দফাটোৰ মুঠ কিমানটা শব্দ শুদ্ধকৈ পঢ়িব পাৰিছে শিক্ষকে কাষৰ বাকচত লিখিব।
- মূল্যায়নৰ আনবোৰ কাৰ্যৰ ক্ষেত্ৰত কাষৰ বাকচত দিয়া নম্বৰৰ ভিত্তিত মূল্যায়ন কৰিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।

**কাৰ্য নং-১৫**

পঢ়াঁ—

৪০

বিহু অসমৰ জাতীয় উৎসৱ। ব'হাগ বিহুত হুঁচৰি গায়। ব'হাগ বিহুক ৰঙালী বিহু বুলিও কোৱা হয়। বিহু নাচনীয়ে খোপাত কপৌফুল গোঁজে। কপৌফুল দেখিবলৈ ধুনীয়া। বিহুত ঢোল-পেঁপাও বজায়। মাঘ বিহুক ভোগালী বিহু আৰু কাতি বিহুক কঙালী বিহু বুলি কোৱা হয়।

**কাৰ্য নং-১৬**

উত্তৰ লিখা—

২

ক) অসমৰ জাতীয় উৎসৱ কি?

উত্তৰ ঃ ...........................................................................

খ) বিহুনাচত নাচনীয়ে খোপাত কি ফুল গোঁজে?

উত্তৰ ঃ ...........................................................................

**কাৰ্য নং-১৭**

মাঘ বিহুত তোমালোকে কি কৰা?

২

উত্তৰ ঃ ...........................................................................

...........................................................................

**কাৰ্য নং-১৮**

শ্ৰুতলিপি—

...........................................................................

...........................................................................

সপ্তাহ-২৫
দিন- ৬
DD/MM/YYYY

নিদানমূলক

নিৰ্দেশনা ঃ-
- ছাত্ৰ-ছাত্ৰীয়ে নিজে পঢ়িব আৰু প্ৰয়োজনত শিক্ষকে সহায় কৰিব।
- শিক্ষকে শিক্ষাৰ্থীৰ শিকন পৰ্যায়ৰ ভিত্তিত নিজাববীয়াকৈ অতিৰিক্ত কাৰ্য কৰাব।

**কাৰ্য নং-১৯**

**পঢ়োঁ আহা—**

নিশিতা এজনী সৰু ছোৱালী। নিশিতাৰ খুৰাক মুম্বাই চহৰত থাকে। নৱেম্বৰ মাহত নিশিতাৰ পৰিয়ালে মুম্বাইৰ খুৰাকৰ ঘৰলৈ গ'ল। খুৰাকে তাইক মুম্বাই চহৰখন ফুৰালে। মুম্বাই চহৰৰ গাতে লাগি থকা সাগৰো দেখুৱালে। ডিচেম্বৰ মাহত দেউতাকে নিশিতাক উৰাজাহাজেৰে ঘৰলৈ আনিলে। উৰাজাহাজত উঠি নিশিতাই সোনকালে ঘৰ আহি পালে। ঘৰত আহি সমনীয়াক মুম্বাই চহৰৰ বিষয়ে বহু কথা জনালে।

**শব্দাৱলী**

নৱেম্বৰ, ডিচেম্বৰ, মুম্বাই চহৰ, উৰাজাহাজ

**কাৰ্য নং-২০**

**উত্তৰ কওঁ আৰু লিখোঁ আহা—**

ক) নিশিতাৰ খুৰাক ক'ত থাকে?
উত্তৰ ঃ ..............................

খ) কোন মাহত নিশিতাহঁত খুৰাকৰ ঘৰলৈ গৈছিল?
উত্তৰ ঃ ..............................

গ) মুম্বাইৰ পৰা নিশিতা কিহেৰে ঘৰলৈ উভতি আহিছিল?
উত্তৰ ঃ ..............................

**কাৰ্য নং-২১**

**অতিৰিক্ত কাৰ্য—**

....................

সপ্তাহ-২৬

দিন- ১

DD/MM/YYYY

পুনৰালোচনা

**নির্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

---

**কাৰ্য নং-১**

**পঢ়োঁ আহা —**

**শব্দাৱলী**

বিক্ৰী, হাট, সামগ্ৰী



সমীৰহঁতৰ গাঁওৰ নাম ধনপুৰ। ধনপুৰত প্ৰতি সোমবাৰে হাট বহে। সমীৰে দেউতাকৰ লগত হাটলৈ গ'ল। হাটলৈ গাঁওৰ মানুহে বিভিন্ন সামগ্ৰী বিক্ৰী কৰিবলৈ আহে। সমীৰৰ দেউতাকে ধান বিক্ৰী কৰিছে। ধান বিক্ৰী কৰি পোৱা টকাৰে সমীৰৰ বাবে চোলা কিনিছে। দেউতাকে সমীৰক ৰসগোল্লা খাবলৈ দিছে। দেউতাকে ঘৰৰ আটাইৰে বাবে ৰসগোল্লা কিনিছে। বজাৰত সমীৰে গাঁওৰে মনোজক লগ পালে। মনোজে খুৰাকৰ লগত বজাৰলৈ আহিছে। মনোজহঁতে মোনা ভৰাই শাক-পাচলি কিনিছে।

**কাৰ্য নং-২**

**কথা পাতোঁ আহা —**

ক) ধনপুৰত সপ্তাহৰ কোন বাৰে হাট বহে?

খ) সমীৰৰ দেউতাকে কি বিক্ৰী কৰিছে?

গ) তুমি কেতিয়াবা বজাৰলৈ গৈছানে?

ঘ) বজাৰত কি কি পোৱা যায়?

**কাৰ্য নং-৩**

**চাই চাই দুবাৰকৈ লিখোঁ আহা —**

অসমৰ প্ৰাকৃতিক সৌন্দৰ্য বিনন্দীয়া।

......................................................................................................................

......................................................................................................................

......................

**নির্দেশনা ঃ-**

- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

**কাৰ্য নং-৪**

**লিখোঁ আহা —**

ক) সমীৰৰ গাঁওখনৰ নাম কি?

উত্তৰ ঃ.................................................................................

খ) সমীৰে কাৰ লগত বজাৰলৈ গৈছিল?

উত্তৰ ঃ.................................................................................

গ) সমীৰে বজাৰত কাক লগ পাইছিল?

উত্তৰ ঃ.................................................................................

ঘ) তোমাক বজাৰলৈ পঠিয়ালে তুমি কি কৰিবা?

উত্তৰ ঃ.................................................................................

**কাৰ্য নং-৫**

**শুদ্ধ বাক্যটো বাছি উলিয়াই লিখোঁ আহা—**



ক) ৰসগোল্লাৰ সোৱাদ মিঠা।

খ) ৰসগোল্লাৰ সোৱাদ লুণীয়া।

.........................................................................

**কাৰ্য নং-৬**

**দুটাকৈ বাক্য লিখোঁ আহা —**

দেউতাৰ বিষয়ে—

..........................................................

..........................................................

..........................................................

ভাই-ভনীৰ বিষয়ে—

..........................................................

..........................................................

..........................................................

**কাৰ্য নং-৭**

**শ্ৰুতলিপি—**

.........................................................................................

.........................................................................................

..................

নিৰ্দেশনা ঃ-

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

## কাৰ্য নং-৮

**পঢ়োঁ আহা—**

**শব্দাৱলী**

দৃশ্য, আকৰ্ষিত, দক্ষিণ
একা-বেকা, মনোমোহা



এইখন আমাৰ গাঁও। আমাৰ গাঁওৰ নাম সেউজপুৰ। গাঁওখন আমাৰ অতি মৰমৰ। গাঁওখনৰ মনোমোহা দৃশ্যই সকলোকে আকৰ্ষিত কৰে। পূৱ দিশত খেতি-পথাৰ। খেতি-পথাৰৰ মাজেৰে একা-বেকাকৈ দিহিং নৈখন বৈ গৈছে। উত্তৰ দিশত এখন ডাঙৰ বিল আছে। বিলখনত বিভিন্ন চৰাইবোৰ চৰে। বিলখনত জাকে জাকে শৰালি হাঁহ চৰিবলৈ আহে। বিলখনত বগলী, পানীকাউৰী, ডাউক, বৰটোকোলা চৰাইও দেখিবলৈ পোৱা যায়।আমাৰ গাঁওৰ দক্ষিণ ফালে এখন সুন্দৰ পাহাৰ আছে। পাহাৰত বান্দৰৰ লগতে বহুত প্ৰাণী আছে। পাহাৰৰ পৰা এটা নিজৰা বৈ আহিছে।

## কাৰ্য নং-৯

**কথা পাতোঁ আহা —**

ক) খেতি-পথাৰখনৰ মাজেৰে কি নৈ বৈ গৈছে?
খ) বিলখনত কি কি চৰাই দেখিবলৈ পোৱা যায়?
গ) বান্দৰে কি কি খায়?

## কাৰ্য নং-১০

**খেলি-মেলিকৈ দিয়া আখৰবোৰ সজাই শব্দ লিখোঁ আহা—**

বা ৰ ন্দ → ______ ন্দ সু ৰ → ______

ন ন্দ আ → ______

নির্দেশনা ঃ-
- শিক্ষকে শিক্ষাৰ্থীসকলক আগদিনা পঢ়ি অহা দফাটো গাই-গুটীয়াকৈ পঢ়িবলৈ দিব।
- শিক্ষকে শ্ৰুতলিপিৰ বাবে পূৰ্বে শিকি অহা ১০-১২ টা শব্দৰ দুটা সহজ বাক্য দিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰাব।

### কাৰ্য নং-১১

উত্তৰ লিখোঁ আহা —

ক) গাঁওখনৰ নাম কি ?
উত্তৰ ঃ ....................................................................................................

খ) গাঁওখনৰ পূৱ দিশত কি আছে ?
উত্তৰ ঃ ....................................................................................................

গ) পাহাৰখনত কি কি আছে ?
উত্তৰ ঃ ....................................................................................................

### কাৰ্য নং-১২

বিলখনত দেখিবলৈ পোৱা চাৰি বিধ চৰাইৰ নাম লিখোঁ আহা —

উত্তৰ ঃ ....................................................................................................

### কাৰ্য নং-১৩

বাকচত দিয়া যুক্তাক্ষৰেৰে শব্দ গঠন কৰি কওঁ আৰু লিখোঁ আহা —

স্প — কম্পন, .........................., ..........................

ষ্ট — .........................., .........................., ..........................

### কাৰ্য নং-১৪

শ্ৰুতলিপি—

....................................................................................................

....................................................................................................

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলত দিয়া ছবিখন চাই ছবিখনৰ বিষয়ে আলোচনা কৰিবলৈ দিব।
- শিক্ষকে পাঠটো পঢ়াত শিক্ষাৰ্থীক সহায় কৰিব।
- শিক্ষকে শব্দাৱলী সম্পৰ্কে আলোচনা কৰিব আৰু শব্দাৱলীৰ অৰ্থ বুজাত শিক্ষাৰ্থীক সহায় কৰিব।
- কাৰ্যপত্ৰত থকা ক্ৰিয়া-কলাপসমূহ কৰিব দিব।

### কাৰ্য নং-১৫

পঢ়োঁ আহা—

**শব্দাৱলী**

চন্দ্ৰ, খাদ্য, আনন্দ, ৰামধেনু



মাৰ্চ মাহত শিখাহঁত মোমায়েকৰ ঘৰলৈ গৈছে। মোমায়েকৰ ঘৰত আইতাকে সিহঁতক সাধু শুনায়। আজিও আইতাকে পৰীৰ দেশৰ সাধুকথা শুনাইছে। ‘এজনী পৰী সদায় তললৈ নামি আহিছিল। মইনাহঁতে খেলি থকা দেখি পৰীজনীৰো সিহঁতৰ লগত খেলিবৰ মন। তাই সিহঁতৰ লগত খেলিবলৈ ল’লে। পৰীজনীয়ে মইনাহঁতৰ বাবে সদায় খাদ্য লৈ আহে। মইনাহঁতে আনন্দেৰে খাদ্যবোৰ খায়। পৰীৰ দেশত সকলোৱে উৰিব পাৰে। উৰি উৰি পৰীসকলে চন্দ্ৰলৈ গৈ ফুৰি আহে। পৰীসকলে ৰামধেনু চুই চাব পাৰে। মইনাহঁতে পৰীৰ দেশৰ সাধু শুনি পৰীৰ দেশলৈ যাবলৈ মন কৰে।’

### কাৰ্য নং-১৬

কথা পাতোঁ আহা—

ক) শিখাহঁত কাৰ ঘৰলৈ গৈছে?

খ) আইতাকে সিহঁতক কি শুনায়?

গ) পৰীজনীয়ে মইনাহঁতৰ বাবে সদায় কি আনে?

### কাৰ্য নং-১৭

সাধুটোত থকা পৰীৰ বিষয়ে দুটা বাক্য লিখোঁ আহা—

.....................................................................................................

.....................................................................................................

..................

নিদানমূলক

**নিৰ্দেশনা ঃ-**

- শিক্ষকে তলৰ কাৰ্যবোৰ কৰিবলৈ দিব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শিকন স্তৰৰ ভিত্তিত অতিৰিক্ত কাৰ্য কৰাব।

## কাৰ্য নং-১৮

পঢ়োঁ আহা—

| | | | |
|---|---|---|---|
| ৰসগোল্লা | বান্দৰ | খাদ্য | মুম্বাই |
| বিক্ৰী | বিনন্দীয়া | সামগ্ৰী | সৌন্দৰ্য |

## কাৰ্য নং-১৯

উত্তৰ কওঁ আৰু লিখোঁ আহা—

| | |
|---|---|
| আখৈ | |
| **ধান** | |
| | |

আখৈ
পাঠ্যপুথি
শ্ৰেণীকোঠা
চাউল
মুড়ি
ছাত্ৰ-ছাত্ৰী
চিৰা
শিক্ষক

| | |
|---|---|
| | |
| **বিদ্যালয়** | |
| | |

## কাৰ্য নং-২০

অতিৰিক্ত কাৰ্য—

DD/MM/YYYY





প্ৰস্তুতকৰণ
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
সমগ্ৰ শিক্ষা, অসমৰ সহযোগত